# পঞ্চম অধ্যায়

## ভাৰতীয় সাহিত্যত বেজবৰুৱা আৰু প্ৰেমচন্দৰ স্থান

### ৫.১ ভূমিকা ঃ

ভাৰতবৰ্ষ এখন বিশাল দেশ। ভাৰতবৰ্ষৰ ভৌগোলিক অৱস্থান, প্ৰাকৃতিক পৰিৱেশ, ভাষা আৰু সাহিত্য-সংস্কৃতি বৈচিত্ৰ্যপূৰ্ণ। *ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত ভাষা সমূহৰ*[১] উপৰিও *উন্নয়নশীল ভাষাসমূহ আৰু অজস্ৰ কথিত ভাষাৰ উপস্থিতিয়ে ভাৰতৰ ভাষাৰ মানচিত্ৰখন ৰমক-জমক কৰি থৈছে।*[২] পৃথিৱীৰ প্ৰধান ভাষাগোষ্ঠীসমূহৰ অন্যতম ভাষাগোষ্ঠী ইণ্ডো-ইউৰোপীয়, চীন-তিব্বতীয়, অষ্ট্ৰিক আৰু দ্ৰাৱিড় ভাষাগোষ্ঠীৰ পৰা এই ভাষাসমূহৰ উৎপত্তি হৈছে। ভাৰতৰ ভাষাৰ ক্ষেত্ৰখনৰ অধিকাংশ আৱৰি থকা ভাৰতীয় আৰ্য ভাষাসমূহৰ জন্ম হৈছে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত ইণ্ডো-ইৰানীয় শাখাৰ পৰা। ভাৰতীয় আৰ্য ভাষাই প্ৰাচীন ভাৰতীয় আৰ্য, মধ্য ভাৰতীয় আৰ্য ভাষাৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি আহি আধুনিক ভাৰতীয় ভাষাৰ ৰূপ লাভ কৰে। ভাৰতীয় আৰ্য ভাষাৰ একেবাৰে শেষ স্তৰৰ মাগধী অপভ্ৰংশৰ পৰা অসমীয়া[৫] আৰু শৌৰসেনী অপভ্ৰংশৰ পৰা হিন্দী[৬] ভাষাৰ জন্ম হয়। হিন্দীয়ে ভাৰতৰ ৰাজভাষা[৭] হিচাপে আৰু অসমীয়াই অসমৰ ৰাজ্যভাষা[৮] হিচাপে স্বীকৃতি লাভ কৰে। একেটা উৎসৰ পৰা উৎপত্তি হোৱা বাবে দুয়োটা ভাষাৰ মাজত ৰূপতত্ব, শব্দমূল আৰু বাক্যতত্ত্বৰ সাদৃশ্য আছে। এই দুই ভাষা-ভাষী লোকৰ মাজত সংস্কৃতি বিষয়ক মিলো দেখা যায়। সেয়ে লেখক সকলৰ দৃষ্টিভঙ্গীৰো যথেষ্ট মিল দেখিবলৈ পোৱা যায়।

## ৫.২ ভাৰতীয় সাহিত্য ঃ

ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যৰ প্ৰায় প্ৰতিটো প্ৰান্তীয় ভাষাৰে পৃথক পৃথক সাহিত্য আছে। সেয়ে *ভাৰতীয় সাহিত্যৰ* ধাৰণাটো ঊনবিংশ শতিকালৈ অস্পষ্ট আৰু সংকীৰ্ণ আছিল। সংস্কৃত, পালি আৰু প্ৰাকৃতত ৰচিত সাহিত্য ৰাজিকহে *ভাৰতীয় সাহিত্য* বুলি ধৰা হৈছিল। *বিদেশৰ কোনো কোনো লোকে আনকি বৈদিক সাহিত্য আৰু তাৰ পৰৱৰ্তী কালৰ অকল সংস্কৃত সাহিত্যকহে ভাৰতীয় সাহিত্য ৰূপে বিবেচনা কৰিছিল। কিন্তু ঊনবিংশ শতিকাৰ পাছত এই ধাৰণা সম্পূৰ্ণভাৱে সলনি হোৱা দেখা গৈছে। ভাৰতীয় সাহিত্য বুলি ক'লে এতিয়া সংস্কৃত সাহিত্যক সামৰি লোৱা হয় যদিও, ভাৰতৰ প্ৰান্তীয় ভাষাসমূহত লিখা সাহিত্যৰ কথাহে মনলৈ অনা হয়। প্ৰান্তীয় অথবা আঞ্চলিক ভাষাসমূহত লিখা সাহিত্যৰ সমষ্টিগত অৰ্থত 'ভাৰতীয় সাহিত্য' এই শব্দ দুটা বৰ্তমানে ব্যৱহাৰ কৰা হয়।*[৩]

ভাৰতৰ প্ৰতিটো আঞ্চলিক বা প্ৰান্তীয় ভাষাত ৰচিত সাহিত্যৰ নিজা নিজা বৈশিষ্ট্য আছে। প্ৰতিটো আঞ্চলিক ভাষাৰে নিজস্ব ঠাঁচ, প্ৰকাশভঙ্গী, বাক্য বিন্যাস, উপমা, শব্দ সম্ভাৰ ইত্যাদি আছে। তথাপিও প্ৰতিটো প্ৰান্তীয় ভাষাত ৰচিত সাহিত্যৰে কিছুমান উমৈহতীয়া বৈশিষ্ট্য আছে। লেখকসকলৰ চিন্তা আৰু অভিজ্ঞতাৰ মিল আছে, আনকি কেউটা ভাষাৰ সাহিত্যৰে বিকাশৰ ধাৰা সমূহৰো মিল আছে। *ভক্তি-আন্দোলন, পাশ্চাত্য প্ৰভাৱৰ ফলত সৃষ্টি হোৱা নৱজাগৰণ, প্ৰগতিবাদী আন্দোলন আদিয়ে প্ৰতিটো ভাষাৰ সাহিত্যকে প্ৰায় একে সময়তে চুই গৈছে। সাহিত্য-সৃষ্টিৰ বাবে লেখকসকলে অনুপ্ৰেৰণাও লাভ কৰিছে উমৈহতীয়া উৎসৰ পৰা। ... ভাৰতীয় লেখকসকলৰ মাজত দৃষ্টিভঙ্গীৰ মিল আছে। অৰ্থাৎ বৈচিত্ৰ্যৰ মাজত ঐক্য ভাৰতীয় সংস্কৃতিৰ দৰে ভাৰতীয় সাহিত্যৰো বৈশিষ্ট্য।*[৪]

**৫.৩ ভাৰতীয় সাহিত্যৰ দুগৰাকী বিশিষ্ট গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দ ঃ**

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দ আধুনিক ভাৰতীয় সাহিত্যৰ দুগৰাকী বিশিষ্ট লেখক। ভাৰতীয় দুটা প্ৰধান ভাষা অসমীয়া আৰু হিন্দীলৈ দুয়োজন লেখকৰ সাহিত্যিক অৱদান স্মৰণীয়। বেজবৰুৱা আৰু প্ৰেমচন্দ দুজন মানৱতাবাদী লেখক আছিল। উভয়ৰে সাহিত্যত প্ৰেম আৰু মানৱতাবাদে প্ৰতিষ্ঠা লাভ কৰিছে। দুয়োজনে নিজা নিজা ভাষা-সাহিত্যৰ ইতিহাসত একোটা যুগক প্ৰতিনিধিত্ব কৰিছে। তেওঁলোকৰ সাহিত্যৰ আঞ্চলিক বৈশিষ্টসমূহৰ মাজত ভাৰতীয় সাহিত্যৰ ভালেমান উমৈহতীয়া বৈশিষ্ট প্ৰকাশ পাইছে।

**৫.৪ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম আৰু বংশ পৰিচয় (১৮৬৪-১৯৩৮) ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয় ১৮৬৪ চনত মৰিগাঁও জিলাৰ আঁহতগুৰি নামৰ ঠাইত।[৯] বেজবৰুৱাৰ জন্ম হৈছিল বৰলুইতৰ বুকুৰ এটা বালিচাপৰিত নাৱৰ কুন্ধিত।[১০] পৰিয়ালৰ ১৩ জন ভাই-ককাইৰ ভিতৰত বেজবৰুৱা আছিল পঞ্চমজন।[১১]

বেজবৰুৱাৰ জন্ম হৈছিল অসমৰ এটা সম্ভ্ৰান্ত পৰিয়ালত। তেওঁৰ পূৰ্বপুৰুষসকলে আহোম স্বৰ্গদেউ সকলৰ অধীনত সন্মানীয় ৰাজবৈদ্যৰ বিষয়বাব পাইছিল।[১২] বেজবৰুৱাৰ পিতৃৰ নাম দীননাথ বেজবৰুৱা আৰু মাতৃৰ নাম থানেশ্বৰী দেৱী। দীননাথ বেজবৰুৱাই ইংৰাজ চৰকাৰৰ মুঞ্চিফ হিচাপে অৱসৰ লয়। দীননাথ বেজবৰুৱাই পুৰন্দৰ সিংহৰ ৰাজবৈদ্য ৰূপেও স্বীকৃতি লাভ কৰিছিল।[১৩]

**৫.৪.১ শিক্ষা ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই লক্ষীমপুৰ, গুৱাহাটী আৰু শিৱসাগৰত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে।[১৪] তেওঁ ১৮৮৬ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।[১৫] ১৮৮৮ চনত কলিকতাৰ চিটি কলেজৰ পৰা এফ. এ. আৰু ১৮৯০ চনত কলিতাৰ

জেনেৰেল এচেম্বলী কলেজৰ পৰা বি.এ. ডিগ্ৰী লাভ কৰে। বেজবৰুৱাই কলিকতাৰ ৰিপণ কলেজত আইন আৰু প্ৰেচিডেন্সী কলেজত ইংৰাজীৰ এম. এ. শ্ৰেণীত নামভৰ্ত্তি কৰে যদিও ডিগ্ৰী নোলোৱাকৈয়ে পঢ়া সামৰে।[১৬]

**৫.৪.২ কৰ্মক্ষেত্ৰ ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই ১৮৯৫ চনত সদাগৰ ভোলানাথ বৰুৱাৰ সৈতে যুটীয়াভাৱে কলিকতাত কাঠৰ ব্যৱসায় আৰম্ভ কৰে।[১৭] ১৯১৬ চনত তেওঁ ভোলানাথ দাসৰ সৈতে কৰা ব্যৱসায় এৰি প্ৰায় এবছৰ কাল বাৰ্ড কোম্পানীৰ কলিকতাৰ কাৰ্যালয়ত চাকৰি কৰে।[১৮] ১৯২৮ চনত বেজবৰুৱাই ঊৰিষ্যাৰ সম্বলপুৰত নিজাববীয়াকৈ কাঠৰ ব্যৱসায় আৰম্ভ কৰি তাতেই স্থায়ীভাৱে থাকিবলৈ লয়।[১৯]

**৫.৪.৩ সাহিত্য চৰ্চা ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই কলিকতাত পঢ়ি থকা সময়ৰ পৰা সাহিত্য চৰ্চা কৰিবলৈ লয়। বেজবৰুৱাই কলিকতাত পঢ়িবলৈ যোৱা সময়তে এচাম অসমীয়া যুৱকৰ প্ৰচেষ্টাত *অসমীয়া ভাষা উন্নতি সাধিনী সভা* (১৮৮৮) গঢ়ি উঠে। এই সভাৰ মুখপাত্ৰৰূপে ১৮৮৯ চনত *জোনাকী* কাকতৰ জন্ম হয়। *অসমীয়া ভাষা উন্নতি সাধিনী সভা* স্থাপন আৰু *জোনাকী* কাকতৰ প্ৰকাশত বেজবৰুৱাই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। চন্দ্ৰকুমাৰ আগৰৱালা আছিল *জোনাকী*ৰ প্ৰতিষ্ঠাপক সম্পাদক। *জোনাকী* কাকতেই লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য চৰ্চাৰ প্ৰাণকেন্দ্ৰ আছিল। *জোনাকী কাকতৰ প্ৰথম সংখ্যাত বেজবৰুৱাৰ প্ৰথম ৰচনা লিটিকাই প্ৰকাশ হয়।*[২০] *জোনাকী*তে আৰম্ভ কৰা বেজবৰুৱাৰ সাহিত্য চৰ্চা তেওঁ পৰৱৰ্তী সময়তো অব্যাহত ৰাখিছিল। *জোনাকী*ৰ পিছত তেওঁ পদ্মনাথ গোহাঞি বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা *ঊষা*ত লিখিবলৈ লয়। তেওঁ ১৯০৯ চনত নিজৰ সম্পাদনাত *বাঁহী* আলোচনী প্ৰকাশ

কৰে। *বাঁহী*য়ে অসমীয়া সাহিত্যক এটা নতুন পৰিচয় দিলে। *বাঁহী*ৰ পাততেই সাহিত্যিক বেজবৰুৱা পূৰ্ণ হৈ উঠিল। *বাঁহী*ৰ উপৰিও বেজবৰুৱাই সমসাময়িক *চেতনা, আলোচনী, জন্মভূমি, মিলন, অসম সাহিত্য সভা পত্রিকা, অৰুণ, আৱাহন, বৰদৈচিলা, ন-জোন, জয়ন্তী, দৈনিক বাতৰি, অসম বন্তি আদি বিভিন্ন কাকত আলোচনীত নিজৰ সৃষ্টিশীল লেখনি প্ৰকাশ কৰিছিল।*[২১]

ব্যৱসায়ৰ ব্যস্ততাৰ মাজতো বেজবৰুৱাই সাহিত্য চৰ্চা অব্যাহত ৰাখিছিল। বেজবৰুৱাৰ সাহিত্য প্ৰতিভা আছিল বহুমুখী। বেজবৰুৱাই নিজে আধুনিক অসমীয়া সাহিত্যৰ আটাইবোৰ ঠালতে হাত দিছিল। *ইয়াৰ কেইবাটাও ঠালৰ বেজবৰুৱা আছিল বাটকটীয়া।*[২২]

**৫.৪.৪ সাহিত্য কৃতি ঃ**

১৯১৫ চনৰ ভিতৰতে বেজবৰুৱাৰ গ্ৰন্থসমূহ প্ৰকাশ পায়।[২৩] বেজবৰুৱাৰ সাহিত্যৰাজিক এনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি।[২৪]

**কবিতা পুথি ঃ**

১। *কদমকলি,* ১৯১৩ চন।

২। *পদুমকলি,* ১৯৬৮ চন।[২৫]

**উপন্যাস ঃ**

১। *পদুম কুঁৱৰী,* ১৯০৫ চন।

সাধুকথাৰ সংকলন ঃ

১। *বুঢ়ী-আইৰ সাধু,* ১৯১২ চন।

২। *ককা-দেউতা আৰু নাতি ল'ৰা,* ১৯১৩ চন।

৩। *জুনুকা,* ১৯১৩ চন।

**গল্প সংকলন ঃ**

১। *সুৰভি,* ১৯০৯ চন।

২। *সাধুকথাৰ কুঁকি,* ১৯১০ চন।

৩। *জোনবিৰি,* ১৯১৩ চন।

৪। *কেহোঁকলি,* ১৯৬৭ চন।[২৬]

**প্ৰহসন ঃ**

১। *লিটিকাই,* ১৯০১ চন।

২। *নোমল,* ১৯১৩ চন।

৩। *চিকৰপতি আৰু নিকৰপতি,* ১৯১৩ চন।

**নাটক ঃ**

১। *চক্ৰধ্বজ সিংহ,* ১৯১৫ চন।

২। *জয়মতী কুঁৱৰী,* ১৯১৫ চন।

৩। *বেলিমাৰ,* ১৯১৫ চন।

**নাটৰ কুঁকি ঃ**[২৭]

১। *গদাধৰ সিংহ,* ১৯১৮ চন।

২। *বাৰেমতৰা,* ১৯৫৪ চন।

৩। *হেমলেট,* ১৯৬৮ চন।

৪। *মগুলা,* ১৯৬৮ চন।

৫। *হ-য-ব-ৰ-ল,* ১৯৬৮ চন।

**হাস্যৰসাত্মক গ্ৰন্থ ঃ**

১। *কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা,* ১৯০৪ চন।

২। *কৃপাবৰ বৰুৱাৰ ওভতনি,* ১৯০৯ চন।

৩। *কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি,* ১৯৫১ চন।[২৮]

৪। *বৰবৰুৱাৰ সাহিত্যিক ৰহস্য* (দুটা খণ্ড), ১৯৬৮-৬৯ চন।[২৯]

৫। *বৰবৰুৱাৰ বুলনি,* ১৯৬৪ চন।[৩০]

৬। *বৰবৰুৱাৰ চিন্তাৰ শিলগুটি,* ১৯৬৮-৬৯ চন।[৩১]

৭। *কৃপাবৰ বৰুৱাৰ সামৰণি* (কাৰ্টুন), ১৯৬৮-৬৯ চন।[৩২]

৮। *বৰবৰুৱাৰ চ'ৰা,* ১৯৬৮-৬৯ চন।[৩৩]

**তত্ত্বমূলক গ্ৰন্থ ঃ**

১। *তত্ত্বকথা,* ১৯৬৩ চন।[৩৪]

২। *শ্ৰীকৃষ্ণ-কথা,* ১৯৬৮ চন।[৩৫]

৩। *শ্ৰীভগৱৎ কথা,* ১৯১৫ চন।

৪। *চৈতন্য দেৱ*[৩৬]

**আত্মজীৱনীমূলক গ্ৰন্থ ঃ**

১। *মোৰ জীৱন-সোঁৱৰণ,* ১৯৪৪ চন।[৩৭]

**জীৱনীমূলক গ্ৰন্থ ঃ**

১। *ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত,* ১৯০৯ চন।

২। *শ্ৰীশ্ৰীশঙ্কৰদেৱ,* ১৯১১ চন।

৩। *মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ,* ১৯১৪ চন।[৩৮]

**অন্যান্য লেখা ঃ**

১। *অসমীয়া ভাষা আৰু সাহিত্য (সাহিত্য বুৰঞ্জী)*[৩৯], ১৯৬৮-৬৯ চন।

২। *কামত কৃতিত্ব লভিবৰ সংকেত,* ১৯০৩ চন।

৩। *ভাৰতবৰ্ষৰ বুৰঞ্জী, (দুটা খণ্ডৰ অনুবাদ),* ১৯০৬ চন।

৪। *সম্পাদকৰ চ'ৰা,* ১৯৩৮ চন।[৪০]

৫। *History of vaisnavism in India and Rasa-lila of Srikrishna.* (বৰোদাৰ বক্তৃতা), ১৯৩৮ চন।

৬। *বাখৰ,* ১৯১৫ চন।

৭। *কঁহুদী আৰু খাৰলি* [৪১]

৮। *বিবিধ প্ৰসঙ্গ,* ১৯৬৮ চন।[৪২]

৯। *ধৰ্ম সম্পৰ্কীয় বাদানুবাদ* (প্ৰবন্ধ)[৪৩]

১০। *ধৰ্ম আৰু তত্ত্বকথা* (প্ৰবন্ধ)[৪৪]

১১। *পুথি সমালোচনা* [৪৫]

১২। *সানমিহলি* (প্ৰবন্ধ), তৃতীয় খণ্ডত প্ৰকাশিত[৪৬]

**৫.৪.৫ অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ অৱদান ঃ**

*বেজবৰুৱা অসমীয়া সাহিত্যৰ এক সাহিত্যিক ব্যক্তি মাথোন, এনে নহয়। তেওঁ এটি আন্দোলন।*[৪৭] আধুনিক অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ অৱদান অতুলনীয়। বেজবৰুৱাৰ বিপুল সাহিত্য কৰ্মই অসমীয়া ভাষা সাহিত্যক স্বকীয় ৰূপ প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসমীয়া সাহিত্যৰ সকলো দিশতে তেওঁৰ নিপুন হাতৰ পৰশে নদন-বদন ৰূপ দি গৈছে। *তেওঁৰ প্ৰতিভাই গদ্য-পদ্য, ধৰ্ম-সমাজ, নাটক, ইতিহাস, জীৱনী, উপন্যাস আদি কৰি সাহিত্য ক্ষেত্ৰত অনেক বিভাগ সামৰি আছে।*[৪৮]

বেজবৰুৱাই অসমীয়া জাতিৰ অতি সংকটপূৰ্ণ সময় এছোৱাত নিজ গুণে অভিভাৱকৰ দায়িত্ব গ্ৰহণ কৰিছিল। *১৮২৬ চনত ইংৰাজে অসম অধিকাৰ কৰাৰ এটা দশকৰ পিছত অৰ্থাৎ ১৮৩৬ চনত অসমৰ আদালত আৰু বিদ্যালয়ৰ পৰা বিতাৰিত অসমীয়া ভাষা ১৮৭৩ চনত স্বস্থানত প্ৰতিষ্ঠিত হৈছিল। ... কিন্তু স্ব-স্থানত প্ৰতিষ্ঠিত হোৱাৰ পিছতো অসমীয়া ভাষাৰ সংকট আঁতৰ হোৱা নাছিল। অসমীয়া ভাষাৰ অস্তিত্ব নাইকিয়া কৰাৰ ষড়যন্ত্ৰ অব্যাহত আছিল। অসম প্ৰবাসী দুই এজন লোকে অসমীয়া ভাষাক বংলা ভাষাৰ প্ৰাদেশিক সংস্কৰণ অথবা গ্ৰাম্যৰূপ বুলি প্ৰতিষ্ঠা কৰিবলৈ বিভিন্ন প্ৰকাৰে চেষ্টা কৰিছিল। ... অসমৰ বাহিৰৰ কোনো কোনো লোকেও অসমীয়া ভাষাক আক্ৰমণ কৰি প্ৰবন্ধপাতি লিখিছিল। ... শত্ৰুৰ এই আক্ৰমণ প্ৰতিহত কৰি অসমীয়া ভাষা সাহিত্যৰ গৌৰৱ ৰক্ষা কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল বেজবৰুৱাই।*[৪৯]

বেজবৰুৱাই প্ৰয়োজনীয় তথ্যপাতিৰে অসমীয়া ভাষাৰ স্বকীয়তা, প্ৰাচীনতা আৰু ঐতিহ্যত আলোকপাত কৰি *জোনাকী* আৰু *বাঁহী* কাকতত এলানি প্ৰবন্ধ লিখি সেইসকল অসম বিৰোধীৰ মুখ বন্ধ কৰিছিল।

কলিকতাত থকা সময়ৰ পৰাই লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকী* কাকতত নিয়মীয়াকৈ লিখিছিল। তেওঁ সেই সময়ত কলিকতাত পঢ়ি থকা অসমীয়া ডেকাসকলক সাহিত্য চৰ্চা কৰিবলৈ আহ্বান জনাইছিল। *তেওঁৰ আহ্বান ক্ৰমে এদল নতুন লেখকৰ সৃষ্টি হৈছিল। এই দলটোৰ দলপতি আছিল বেজবৰুৱা। বেজবৰুৱাই দেখুৱা পথ এই দলটোৱে অনুসৰণ কৰিছিল আৰু তেওঁলোকৰ লেখনিৰে অসমীয়া সাহিত্যৰ দ্বিতীয়টো সোণালী যুগৰ সৃষ্টি হৈছিল।*[৫০]

বেজবৰুৱা অসমীয়া সাহিত্যৰ কেইবাটাও শাখাৰ বাটকটীয়া আছিল। সকলোতে তেওঁ অৱশ্যে সফলতা লাভ কৰিব পৰা নাছিল; কিন্তু অসমীয়া ভাষা সাহিত্যলৈ নতুন নতুন সাহিত্যিক ঢল বোৱাই আনি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল।

**চুটিগল্প ঃ**

লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটীগল্পৰ জন্মদাতা। *জোনাকী* কাকততে বেজবৰুৱাৰ প্ৰথম অসমীয়া চুটিগল্প *সেউতী* প্ৰকাশ পায়। *বেজবৰুৱাই জোনাকী কাকততে গল্প লিখা আৰম্ভ কৰি বাঁহীৰ শেষ স্তৰলৈকে লিখি আছিল।*[৫১] তেওঁৰ জীৱন কালতে গল্পপুথি *সুৰভি, সাধুকথাৰ কুঁকি* (১৯১০), আৰু *জোনবিৰি* (১৯০৯) প্ৰকাশ হয়। বেজবৰুৱাৰ মৃত্যুৰ পিছত তেওঁৰ চতুৰ্থখন গল্প সংকলন *কেহোঁকলি* প্ৰকাশ পায়। কলা-কৌশলৰ দিশৰ পৰা বেজবৰুৱাৰ সকলোবোৰ গল্প উন্নতমানৰ নহয় যদিও সমসাময়িক অসমীয়া সমাজ জীৱন তেওঁৰ গল্পত প্ৰতিফলিত হৈছে। অসমীয়া সাহিত্যত সমাজ সচেতনতা, মানৱতাবাদ আৰু বাস্তৱবাদী সাহিত্যৰ পৰম্পৰা আৰু চুটিগল্প ৰচনাৰ প্ৰৱাহ বেজবৰুৱাৰ গল্পৰেই সূচনা হয়। বেজবৰুৱাৰ হাততে অসমীয়া চুটিগল্পই প্ৰতিষ্ঠা লাভ কৰে।

**কৱিতা ঃ**

অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ আন এটা অৱদান হ'ল তেওঁৰ কবিতাসমূহ। বেজবৰুৱাৰ কবিতা পুথি দুখন *কদমকলি* আৰু *পদুমকলি*। *বেজবৰুৱাৰ আন্তৰিকতাপূৰ্ণ অনুভূতিৰ সাৱলীল প্ৰকাশ এইবোৰ কবিতাৰ সম্পদ। এইবোৰত জড়িত হৈ থকা সুগভীৰ জাতীয়তাবোধ, দেশপ্ৰেম আৰু ঐতিহ্য চেতনাই যুগে যুগে পাঠকৰ হৃদয় স্পৰ্শ কৰি আহিছে।*[৫২] বেজবৰুৱাই ইংৰাজী আৰু বাংলা সাহিত্যৰ পৰা কবিতা সৃষ্টিৰ অনুপ্ৰেৰণা লাভ কৰিছিল। ইংৰাজী কবি হেৰিক, বাৰ্ণছ, ৱৰ্থছ ৱৰ্থ, শ্বেলী, কীটছ আদিৰ প্ৰভাৱ বেজবৰুৱাৰ কবিতাত পৰিছিল। সেইসকল কবিৰ কবিতাত প্ৰকাশ পোৱা ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহ যেনে-স্বদেশপ্ৰেম, জাতীয়তাবোধ, প্ৰকৃতি-প্ৰীতি, অতীতপ্ৰীতি, মানৱতাবোধ আদি বেজবৰুৱাৰ কবিতাতো প্ৰকাশ পাইছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ সকলো কবিতাই উচ্চ মানদণ্ডৰ নহয় যদিও *ধনবৰ ৰতনী* আৰু *ৰতনীৰ বেজাৰ*ৰ নিচিনা মনোৰম কাহিনী গীত বা কৃত্রিম মালিতাৰে অসমীয়া কবিতাৰ ভঁৰাল চহকী কৰি গৈছে। *কুলি, পদুম পাতৰ পানী, বসন্ত, ছয় ঋতুৰ ডাক* তেওঁৰ প্রকৃতি বিষয়ক কবিতা। *বীণবৰাগী* জাতীয় চেতনাৰ কবিতা। *প্রিয়তমাৰ সৌন্দৰ্য, প্রিয়তমা, মালতী, ৰেণুকা* তেওঁৰ প্রেমৰ কবিতা। এইবোৰ কবিতাত তেওঁ ইন্দ্রিয় গ্রাহ্য দেহ সুষমাৰ মনোৰম বৰ্ণনা দাঙি ধৰিছে। *মোৰ দেশ* আৰু *অসম সঙ্গীত* নামৰ কবিতা দুটাৰ মাজেৰে বেজবৰুৱাৰ স্বদেশৰ প্রতি থকা ভালপোৱা সুন্দৰভাৱে প্রকাশ পাইছে। *অসম সঙ্গীত* কবিতাটিয়ে অসমৰ জাতীয় সংগীতৰ মৰ্যদা লাভ কৰিছে।[৫৩]

বেজবৰুৱাই তেওঁৰ কবিতাসমূহ ইংৰাজী সাহিত্যৰ উপাদান গ্রহণ কৰি ইংৰাজী কবিতাৰ আৰ্হিৰে ৰচনা কৰিছে যদিও এই কবিতাসমূহত অসমৰ থলুৱা লোকগীতৰ সুবাসহে বিচাৰি পোৱা যায়। *বাহিৰৰ পৰা সংগ্ৰহ কৰা উপাদানেৰে সৈতে থলুৱা উপাদানৰ সমন্বয় ঘটাই বেজবৰুৱাই অসমীয়া কবিতাক এক নতুন মাত্রা দান কৰিছিল।*[৫৪]

**নাটক ঃ**

অসমীয়া নাট্য সাহিত্যলৈ বেজবৰুৱাই তিনিখন গহীন বুৰঞ্জীমূলক নাটক আৰু চাৰিখন প্রহসন আগবঢ়াই থৈ গৈছে। তেওঁৰ বুৰঞ্জীমূলক নাটক কেইখন হ'ল —*চক্ৰধ্বজ সিংহ, বেলিমাৰ* আৰু *জয়মতী কুঁৱৰী।* বেজবৰুৱাৰ তিনিওখন নাটক ১৯১৫ চনত প্রকাশ হৈছিল। তিনিওখন নাটক অসম বুৰঞ্জীৰ আলমত ৰচিত আৰু তিনিওখন নাটকতে ইংৰাজ নাট্যকাৰ শ্বেক্সপীয়েৰৰ প্ৰভাৱ পৰিছে।

*বেজবৰুৱাৰ নাটক চক্ৰধ্বজ সিংহ*ৰ কাহিনী গঢ় লৈছিল স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰাজত্বকালৰ মোগলৰ শেষবাৰৰ অসম আক্ৰমণৰ ঘটনাৰে। *বেলিমাৰ* নাটকত তেওঁ

গৌৰৱময় অতীত বুৰঞ্জী থকা ভাস্কৰ বৰ্মা, চক্ৰধ্বজ সিংহ আৰু ৰুদ্ৰ সিংহৰ অসম পৰৱৰ্তী সময়ত কেনেকৈ শ্মশানত পৰিণত হ'ল তাকে দেখুৱাইছে। *জয়মতী কুঁৱৰীত* নিজৰ সিংহাসন নিষ্কণ্টক কৰিবলৈ গদাপাণিক ধৰিব নোৱাৰি জয়মতী কুঁৱৰীকে ল'ৰা ৰজাই ধৰাই আনি জেৰেঙা পথাৰত শাস্তি দিয়া কাহিনীটোক নাট্য ৰূপ দিছে। অসমৰ অতীত গৌৰৱ প্ৰচাৰ কৰাই তিনিওখন নাটক ৰচনাৰ উদ্দেশ্য আছিল। এই উদ্দেশ্যৰ কথা বেজবৰুৱাই তেওঁৰ *চক্ৰধ্বজ সিংহ* নাটকৰ পাতনিত লিখি গৈছে।

**প্ৰহসন ঃ**

বেজবৰুৱাৰ প্ৰহসন কেইখন হ'ল *লিটিকাই, পাঁচনি, নোমল* আৰু *চিকৰপতি নিকৰপতি*। অসমীয়া সমাজলৈ এই প্ৰহসন কেইখনে হাস্যৰসৰ ঢল নমাই আনিছিল। অসমীয়া লোক সাহিত্যৰ পৰা চাৰিটা সাধুকথা লৈ বেজবৰুৱাই নিজস্ব শৈলীৰে এই প্ৰহসন কেইখন ৰচনা কৰিছিল। এই প্ৰহসন কেইখনৰ মাজতো সমাজ সংস্কাৰক বেজবৰুৱাই ভুমুকি মাৰিছে। অসমীয়া সমাজৰ দোষ, দুৰ্বলতাসমূহক তেওঁ সুবিধা বুজি ব্যঙ্গ কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ পাঁচখন নাটিকা *নাটৰ কুকি* নামেৰে ১৯৬৮ চনত প্ৰকাশ হয়। এই নাটিকা কেইখন হ'ল—*গদাধৰ ৰজা, বাৰেমতৰা, হেমলেট, হ-য-ব-ৰ-ল* আৰু *মগুলা*। *গদাধৰ ৰজা* নাটিকাখনো হাস্যৰস প্ৰধান। এইখন নাটিকাক লেখকে *চ'ৰাঘৰীয়া ভাওনা* (Drawing Room Play) বুলি অভিহিত কৰিছে। নাটিকাখনত আধুনিক একাঙ্কিকাৰ দৰে একেটা অঙ্কৰে সামৰণি মাৰিছে। সেইফালৰ পৰা বেজবৰুৱাক আধুনিক অসমীয়া একাঙ্কিকাৰো পিতৃ বুলি ক'ব পাৰি। *বাৰেমতৰা* নাটিকাখন তিনিঅঙ্কীয়া। অসমীয়া, বঙালী, উৰিয়া আৰু হিন্দী ভাষাৰ সংমিশ্ৰণৰে গুণনাথ নামৰ ঠগ এটাৰ কাহিনী নাটিকাখনত ৰূপায়িত হৈছে। *হ-য-ব-ৰ-ল* এখন ক্ষুদ্ৰ নাটিকা। ববী নামৰ কুকুৰ এটাক লৈ এহাল পতি-

পত্নীৰ মাজৰ কাজিয়া আৰু তাৰ পৰিণতি লৈ নাটিকাখন ৰচনা কৰিছে। *হেমলেট* শ্বেক্সপীয়েৰৰ *হেমলেট*ৰ প্ৰথম অঙ্কৰ প্ৰথম দৃশ্যৰ সৰল অনুবাদ। এইখন নাট অসম্পূৰ্ণ। *মঙলা*ও এটা দৃশ্যৰে ৰচিত এখন অসম্পূৰ্ণ নাটিকা। নাটিকা কেইখনত বেজবৰুৱাৰ নাট্য প্ৰতিভাৰ পৰিচয় পোৱা যায়।

**উপন্যাস ঃ**

অসমীয়া উপন্যাসৰ *ভেঁটি* নিৰ্মাণ কৰোঁতা সকলৰ ভিতৰতো বেজবৰুৱা অন্যতম। পদ্মনাথ গোহাঞি বৰুৱাই প্ৰতিষ্ঠা কৰা অসমীয়া আধুনিক উপন্যাসৰ ধাৰালৈ *পদুম কুঁৱৰী* উপন্যাসৰ জৰিয়তে তেওঁ অৱদান আগবঢ়াই গৈছে। ১৮৯১ চনত *জোনাকী* কাকতত ধাৰাবাহিকভাৱে উপন্যাসখন প্ৰকাশ হয় *পদ্ম কুমাৰী* নামেৰে। ১৯০৫ চনত *পদুম কুঁৱৰী* নামেৰে গ্ৰন্থ আকাৰে প্ৰকাশ হয়। *পদুম কুঁৱৰী উপন্যাসৰ কথাবস্তু অসম বুৰঞ্জীৰ পাতৰ পৰা বুটলি লোৱা।* [৫৫] অসমত আহোম ৰাজত্বৰ সময়ৰ এটা বুৰঞ্জী প্ৰসিদ্ধ কাহিনী *দন্দুৱা দ্ৰোহ*ৰ পটভূমিত উপন্যাসখনৰ কাহিনী গঢ় লৈছে।

*পদুম কুঁৱৰী মূলতঃ এখন ৰোমাণ্টিক উপন্যাস।* [৫৬] উপন্যাসখনৰ কাহিনী পোন্ধৰটা অধ্যায়ত বিভক্ত। দন্দুৱাদ্ৰোহৰ কাহিনীৰ সমান্তৰালকৈ হৰদত্তৰ কন্যা পদুম কুঁৱৰী, কলীয়া ভোমোৰা বৰফুকনৰ জীয়েক ফুল আইদেউ আৰু সূৰ্য কুমাৰৰ এটি কাল্পনিক ত্ৰিকোণীয়া প্ৰেমৰ কাহিনী উপন্যাসখনত সংযোগ কৰিছে। গৌৰীনাথ সিংহৰ অনুৰোধ ক্ৰমে কেপ্তেইন ৱেলচৰ বিদ্ৰোহ দমন, হৰদত্ত বীৰদত্তৰ অত্যাচাৰী বদন বৰফুকনৰ হাতৰ পৰা কামৰূপ উদ্ধাৰৰ চেষ্টা, কোঁচৰজাৰ সহায়ত হৰদত্ত-বীৰদত্তৰ যুদ্ধ ঘোষণা আৰু কলীয়া ভোমোৰা বৰফুকনৰ হাতত অন্যায়ভাৱে হৰদত্ত-বীৰদত্তৰ মৃত্যুৰে উপন্যাসখনৰ মূল কাহিনী নিৰ্মাণ হৈছে। এই কাহিনীৰ সমান্তৰালকৈ ত্ৰিকোণীয়া প্ৰেমকাহিনীটোৱে বিকাশ লাভ কৰিছে।

বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসত ৱাল্টাৰ স্কট আৰু শ্বেক্সপীয়েৰৰ নাটকৰ প্ৰভাৱ পৰিলক্ষিত হয়।

বুৰঞ্জীমূলক উপন্যাস হিচাপে *পদুম কুঁৱৰী* বেজবৰুৱাৰ সাৰ্থক সৃষ্টি নহয়। আকস্মিক আৰু চাঞ্চল্যকৰ ঘটনা, অবিকশিত চৰিত্ৰ, বিশ্বাসযোগ্য পৰিৱেশৰ অভাৱ আৰু অস্বাভাৱিক পৰিণতিয়ে উপন্যাসখনৰ সংবেদনশীলতা হ্ৰাস কৰিছে। *সন্দেহ নাই বুৰঞ্জীমূলক উপন্যাস হিচাপে বেজবৰুৱাৰ উপন্যাসখনৰ কেইবাটাও দুৰ্বলতা আছে। তথাপি, অসমীয়া উপন্যাসৰ বিকাশৰ পথ মুকলি কৰি দিয়া এখন উপন্যাস হিচাপে পদুম কুঁৱৰীৰ ঐতিহাসিক গুৰুত্ব নিশ্চয় থাকিব।*[৫৭]

**শিশু সাহিত্য ঃ**

অসমীয়া শিশু সাহিত্যলৈয়ো বেজবৰুৱাই তেওঁৰ কেইবাখনো গ্ৰন্থ উপহাৰ দি গৈছে। তেওঁৰ সাধুকথাৰ পুথি *বুঢ়ী-আইৰ সাধু, ককা-দেউতা আৰু নাতি ল'ৰা* আৰু *জুনুকা* এই ক্ষেত্ৰত উল্লেখযোগ্য। *বুঢ়ী-আইৰ সাধুত* ত্ৰিশটা, *ককা-দেউতা আৰু নাতি ল'ৰাত* ঊনত্ৰিশটা সাধুকথা সংকলিত হৈছে। *ককা-দেউতা আৰু নাতি ল'ৰাত* ককাক আৰু নাতিয়েকৰ মাজত কথোপকথনৰ জৰিয়তে একোটা উপদেশ দিবলৈ চেষ্টা কৰিছে আৰু প্ৰতিটো সাধুৰ পিছতে এটা আলোচনাও সন্নিৱিষ্ট কৰিছে। *জুনুকা* বেজবৰুৱাৰ এখন মনোৰম সাধুকথাৰ পুথি। পুথিখনত মুঠ দহটা নীতিশিক্ষামূলক সাধুকথা সন্নিৱিষ্ট আছে। কেইটামান সাধু ছন্দত লিখা। *হাতীদতীয়া কাগজত সেউজীয়া চিয়াহীৰে ছপোৱা এই কিতাপখন প্ৰকাশ হয় ১৯১৫ চনত।*[৫৮] বেজবৰুৱাৰ অসমীয়া লোক-সাহিত্য আৰু সংস্কৃতিলৈ থকা আগ্ৰহ আৰু প্ৰেম এই পুথি কেইখনৰ প্ৰতিখিলা পাততে বিৰিঙি উঠিছে।

বেজবৰুৱাৰ *ভগৱৎ কথা, বাখৰ আৰু কামৰ কৃতিত্ব লভিবৰ সংকেত* নামৰ তিনিখন পুথিও শিশু মনৰ বাবে ৰচিত। তিনিওখন পুথিত শিশুৰ নৈতিক চৰিত্ৰ নিৰ্মাণৰ বাবে শিশু

মনক উৎসাহিত কৰা হৈছে। পুথি কেইখন উপদেশমূলক যদিও শিশু মনক আনন্দ প্ৰদান কৰিব পৰা মনোৰঞ্জনৰ সমলো যথেষ্ট আছে।

**জীৱনী-আত্মজীৱনীমূলক গ্ৰন্থ ঃ**

অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ এটা অমূল্য অৱদান হ'ল তেওঁৰ জীৱনীমূলক গ্ৰন্থকেইখন। ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন-চৰিত, শংকৰদেৱ, মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ ৰচনাৰে তেওঁ অসমীয়া জীৱনী সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে। বেজবৰুৱাৰ পিতৃ দীননাথ বেজবৰুৱা এগৰাকী গহীন-গম্ভীৰ ব্যক্তিত্বৰ লোক আছিল। বেজবৰুৱাৰ ব্যক্তিত্ব গঠনত তেওঁৰ প্ৰভাৱ আছিল অপৰিসীম সেয়ে *গ্ৰন্থখন পিতৃৰ প্ৰতি পুত্ৰৰ শ্ৰদ্ধাঞ্জলি স্বৰূপ* [৫৯]। বেজবৰুৱাই পিতৃৰ ব্যক্তিত্বৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই জীৱনী গ্ৰন্থখন ৰচনা কৰিছিল।

বেজবৰুৱা এটা বৈষ্ণৱ পৰিয়ালৰ সন্তান আছিল। তেওঁৰ জীৱনত শংকৰদেৱৰ ধৰ্ম আৰু মানৱতাবাদী দৰ্শনৰ গভীৰ প্ৰভাৱ পৰিছিল। সেয়ে বেজবৰুৱাই নামঘৰৰ আৰু সত্ৰৰ চাৰিবেৰৰ পৰা সৰ্বসাধাৰণৰ মাজলৈ শংকৰদেৱক পোনপ্ৰথম উলিয়াই আনিবৰ উদ্দেশ্যে *শ্ৰীশ্ৰীশংকৰদেৱ* গ্ৰন্থখন ৰচনা কৰিছিল। অসমীয়া জাতীয় সাহিত্যলৈ গুৰুজনাৰ আপুৰুগীয়া অৱদান সমূহৰ চমু আলোচনাও তেওঁৰ উদ্দেশ্য আছিল। গ্ৰন্থখনৰ পাতনিতে বেজবৰুৱাই এইদৰে কৈছে —

> *'এই পুথিত আমি মহাপুৰুষ শঙ্কৰদেৱৰ জীৱন চৰিত্ৰ বহলকৈ লিখিবলৈ যোৱা নাই। ... আমাৰ ঘাই অভিপ্ৰায়, — শঙ্কৰদেৱৰ জীৱনৰ কিছুমান কথা আলচ কৰি মুকলি কৰিবৰ চেষ্টা কৰা; আৰু তেওঁৰ অমূল্য গ্ৰন্থবোৰত থকা ৰচনাৰ সৌন্দৰ্য্য, ওখ জ্ঞানোপদেশ আৰু শিক্ষা আদিলৈ আঙুলিয়াই দি পাৰিলে সেইবোৰলৈ লোকৰ মনোযোগ আকৰ্ষণ কৰা।*
>
> *(শ্ৰীশ্ৰীশঙ্কৰদেৱ, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ১৪৫)*

*শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱত বেজবৰুৱাই তেওঁলোকৰ ব্যক্তিত্বৰ গভীৰতা আৰু মানুহ হিচাপে তেওঁলোকৰ চৰিত্ৰৰ বিশিষ্টতাত আলোকপাত কৰিছে।* [৬০]

অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ আন এটা আপুৰুগীয়া অৱদান হ'ল তেওঁৰ আত্মজীৱনী *মোৰ জীৱন-সোঁৱৰণ।* বেজবৰুৱা অসমীয়া আত্মজীৱনীৰ বাটকটীয়া। তেওঁৰ আত্মজীৱনীখনেই প্ৰথম প্ৰকাশিত অসমীয়া আত্মজীৱনী।[৬১] বেজবৰুৱাৰ আত্মজীৱনীখনত তেওঁৰ জীৱন কাহিনী ১৯০৪ চনলৈহে সামৰিছে যদিও *মোৰ জীৱন-সোঁৱৰণ* অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ ৰূপে পৰিগণিত হৈছে। বেজবৰুৱাই তেওঁৰ আত্মজীৱনীত অতি আন্তৰিকতাৰে তেওঁৰ স্মৃতি দাঙি ধৰিছে। নিজৰ দোষ, দুৰ্বলতাৰ অকপট স্বীকাৰোক্তিৰ মাজে মাজে পাঠকক তেওঁ নিৰ্মল হাস্যৰস প্ৰদান কৰিছে। বেজবৰুৱাৰ *মোৰ জীৱন-সোঁৱৰণ* ঊনবিংশ শতিকাৰ অসমৰ সামাজিক-সাংস্কৃতিক জীৱনৰ দলিল স্বৰূপ।

**হাস্য-ব্যঙ্গ ৰচনাসমূহ ঃ**

অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ আন এটা অৱদান হ'ল তেওঁৰ হাস্য-ব্যঙ্গ ৰচনাসমূহ। বিশেষকৈ কৃপাবৰ বৰুৱা আৰু কৃপাবৰ বৰবৰুৱাৰ ছদ্মনামেৰে লিখা ৰচনাৰাজিৰে তেওঁক অসমীয়া হাস্য-ব্যঙ্গ সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। বেজবৰুৱাক এই গুণৰ বাবেই *ৰসৰাজ* অভিধাৰে বিভুষিত কৰা হয়।[৬২]

*কৃপাবৰ বৰুৱাৰ ওভতনি, বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি, বৰবৰুৱাৰ বুলনি, বৰবৰুৱাৰ চিন্তাৰ শিলগুটি* আদি গ্ৰন্থত সন্নিৱিষ্ট ৰচনা সমূহে বেজবৰুৱাৰ হাস্য ৰস সৃষ্টিৰ অসামান্য প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ চুটিগল্প আৰু প্ৰহসন সমূহতো হাস্যৰস আৰু ব্যঙ্গ আছে কিন্তু *'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ ৰচনাসমূহত ব্যংগৰ চোক অধিক। আচলতে, 'কাকতৰ টোপোলা'ৰ পৰা 'চিন্তাৰ শিলগুটি'লৈকে এই বিশাল সাহিত্য সম্ভাৰ বেজবৰুৱাই মাথোন হাস্যৰসৰ যোগান ধৰাৰ বাবেই সৃষ্টি কৰা নাছিল। বেজবৰুৱাৰ প্ৰধান*

*লক্ষ্য আছিল অসমীয়া সমাজৰ সংস্কাৰ সাধন। অসমীয়া সমাজক অন্ধকাৰৰ পৰা মুক্ত কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই বেজবৰুৱাই সাহিত্য ক্ষেত্ৰত প্ৰৱেশ কৰিছিল।*[৬৩] বেজবৰুৱাই তেওঁৰ হাস্য-ব্যঙ্গ ৰচনাখিনিৰে হাঁহিব নজনা অসমীয়া মানুহক হুহুৱাইছিল আৰু এচাম সোৰোপা, কু-সংস্কাৰত পোতগৈ থকা অসমীয়াক বিদ্ৰুপ কৰিছিল। অসমীয়া মানুহৰ ভণ্ডামী, কাপুৰুষালী আদি দোষ দুৰ্বলতাসমূহ আঁতৰাবলৈ তেওঁ কৃপাবৰী কাৰ্টুনৰো সহায় লৈছিল। মুঠতে অসমীয়া সামাজৰ সকলো দোষ, দুৰ্বলতা দেখুৱাই দি শুদ্ধ কৰাৰ আন্তৰিক প্ৰচেষ্টা তেওঁৰ এই ৰচনা সমূহৰ মাজেৰে প্ৰকাশ পাইছে।

**গহীন ৰচনা ঃ**

বেজবৰুৱাৰ গহীন ৰচনা *শ্ৰীকৃষ্ণ কথা* আৰু *তত্ত্ব-কথাৰ* মাজত বেজবৰুৱাৰ চিন্তাশীল ভাৱনাৰ প্ৰতিফলন ঘটিছে। এই ৰচনাখিনিও অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। শংকৰদেৱৰ-মাদৱদেৱৰ সাহিত্য, ধৰ্মীয় দৰ্শন আৰু আদৰ্শই বেজবৰুৱাক শৈশৱৰ পৰাই আকৰ্ষণ কৰিছিল। *তেওঁ উপলব্ধি কৰিছিল যে বৈষ্ণৱ সাহিত্যই হ'ল অসমৰ সংস্কৃতিৰ ভেটি। এই ভেটিটো শক্তিশালী কৰিব নোৱাৰিলে আনৰ সাংস্কৃতিক গ্ৰাসৰ পৰা অসমীয়াক ৰক্ষা কৰিব পৰা নহ'ব। অসমীয়াক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰাৰো অৱলম্বন হ'ব লাগিব এই ভেটিটোৰেই। এই বাবেই তেওঁ শংকৰদেৱক সত্ৰৰ চাৰিবেৰৰ পৰা উলিয়াই আনি জনমানসত প্ৰতিষ্ঠা কৰাৰ সংকল্প ল'লে।*[৬৪]

**সাংবাদিকতা ঃ**

অসমৰ সংবাদ জগতলৈ বেজবৰুৱাৰ অৱদান অতুলনীয়। সাংবাদিকতাকো তেওঁ দেশৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে নিয়োগ কৰিছিল। বেজবৰুৱাই প্ৰথমে চন্দ্ৰকুমাৰ আগৰৱালাই সম্পাদনা কৰা *জোনাকী* কাকতত চতুৰ্থ বছৰত সম্পাদনাৰ কাম হাতত লৈছিল। তেওঁ

১৯০৯ চনত *বাঁহী* আলোচনীখন প্ৰকাশ কৰে। *বাঁহীৰ যোগেদি তেওঁ সমাজৰ অন্যায়-বিসঙ্গতি, শোষণৰ বিৰুদ্ধে যুঁজিছিল, অসমৰ অতীত গৌৰৱক পুনৰাবিস্কাৰ কৰি সুপ্ত অসমীয়া জাতিক উদ্বুদ্ধ কৰিছিল; ভাষাৰ শুচিতা ৰক্ষা কৰিছিল; নতুন লেখক সকলৰ ৰচনা প্ৰকাশ কৰি অসমীয়া সাহিত্য সকলো পৰ্যায়তে চহকী কৰিছিল ... বাঁহী প্ৰকৃততে এখন আলোচনী নাছিল, ই আছিল অসমৰ বিবেক স্বৰূপ। আধুনিক অসমৰ জাতীয়তাৰ স্বৰ্ণখচিত বেদীত বাঁহীৰ প্ৰকৃত স্থান।*[৬৫]

**সাহিত্য সমালোচনা ঃ**

অসমীয়া সমালোচনা সাহিত্যলৈয়ো বেজবৰুৱাই অৱদান আগবঢ়াই গৈছে। বেজবৰুৱা আছিল বৈষ্ণৱ যুগৰ সাহিত্য আৰু আধুনিক ৰোমাণ্টিক সাহিত্যৰ এগৰাকী যোগ সূত্ৰকাৰী। *তেওঁ আধুনিক লেখক-পাঠকসকলৰ আগত অসমীয়া সাহিত্যৰ প্ৰথম স্বৰ্ণযুগৰ নিৰ্মাণ কৰ্তা শংকৰদেৱ আৰু তেওঁৰ অনুগামী সকলে ৰচনা কৰা সাহিত্যৰাজিৰ চিনাকি দাঙি ধৰি সেই সময়ৰ সাহিত্য আৰু চিন্তাধাৰাক নতুন ৰূপত দাঙি ধৰি বৈষ্ণৱ সাহিত্যলৈ আধুনিক পাঠকৰ সমাদৰ সৃষ্টি কৰিলে। সেই আপাহতে তেওঁ শংকৰদেৱৰ সাহিত্যৰাজিৰ আলোচনা দাঙি ধৰি অসমীয়া সমালোচনা সাহিত্যৰ পথ প্ৰদৰ্শক হ'ল।*[৬৬]

অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ আন এটা আপুৰুগীয়া অৱদান হ'ল তেওঁৰ ভাষা। তেওঁ অসমীয়া জাতিক এটি বিশিষ্ট্য গদ্যশৈলী উপহাৰ দি গ'ল। অসমীয়া থলুৱা শব্দ, ন-ন উপমা, অলংকাৰ, ফকৰা-যোজনা, জতুৱাঠাঁচ খণ্ডবাক্য আদিৰে সমৃদ্ধ তেওঁৰ ভাষাই বক্তব্য বিষয়ক স্পষ্টভাৱে তুলি ধৰিছিল। অসমীয়া সাহিত্যৰ সকলো বিভাগতে কলম হাতত লোৱা বেজবৰুৱাৰ ভাব-চিন্তা প্ৰকাশ কৰি তেওঁৰ উদ্দেশ্য সাধনত তেওঁৰ ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। *সংক্ষেপে ক'বলৈ গ'লে বেজবৰুৱাৰ ভাষাই অৰুণোদই*

*আৰু হেমচন্দ্ৰ গুণাভিৰামে গঢ় দি থৈ যোৱা আধুনিক অসমীয়া ভাষাক অধিক প্ৰকাশক্ষম আৰু শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিলে।*[৬৭]

অসমীয়া ভাষা-জাতি আৰু দেশৰ সাহিত্য জগতলৈ আগবঢ়োৱা বেজবৰুৱাৰ অৱদান আৰু গঠনমূলক কামৰ স্বীকৃতি ৰূপে অসমবাসীয়ে তেওঁক *সাহিত্যৰথী* উপাধিৰে বিভূষিত কৰিছিল। বেজবৰুৱাই কেৱল ভাষা আৰু সাহিত্য জগতলৈকে আগবঢ়োৱা নাই, তেওঁ অসমৰ বিভিন্ন অনুষ্ঠানৰ সৈতেও অন্তৰঙ্গভাৱে জড়িত হৈ সেই অনুষ্ঠানসমূহক নেতৃত্ব দিছিল। ১৯১৬ চনত অসম ছাত্ৰ সন্মিলনৰ সভাপতি পদ আৰু ১৯২৪ চনত অসম সাহিত্য সভাৰ সপ্তম অধিৱেশনৰ সভাপতিৰ পদ তেওঁ অলংকৃত কৰিছিল।[৬৮]

### ৫.৫ প্ৰেমচন্দৰ জন্ম আৰু বংশ পৰিচয় (১৮৮০-১৯৩৬) ঃ

মুন্সি প্ৰেমচন্দৰ জন্ম হয় ১৮৮০ চনৰ ৩১ জুলাইত উত্তৰ প্ৰদেশৰ লমহী গাঁৱত।[৬৯] তেওঁৰ প্ৰকৃত নাম আছিল ধনপত ৰায় আৰু খুড়াকে দিয়া নাম নৱাব ৰায়।[৭০]

প্ৰেমচন্দৰ জন্ম হৈছিল এটা অতি সাধাৰণ পৰিয়ালত। তেওঁৰ পিতৃৰ নাম মুন্সি আজায়ব লাল[৭১] আৰু মাতৃৰ নাম আনন্দী দেৱী।[৭২] প্ৰেমচন্দৰ পিতৃ প্ৰথমে এগৰাকী কৃষক আছিল। পিছত তেওঁ ডাক বিভাগৰ কৰ্মচাৰী ৰূপে জীৱন নিৰ্বাহ কৰিছিল। প্ৰেমচন্দৰ সাত বছৰ বয়সত মাতৃ আৰু যোল্ল বছৰ বয়সত পিতৃৰ বিয়োগ ঘটিছিল।[৭৩] যোল্ল বছৰ বয়সতে তেওঁ মাহীমাক, ভায়েক দুজনৰ সৈতে নিজৰ সংসাৰৰ দায়িত্ব মূৰ পাতি ল'ব লগা হৈছিল।

#### ৫.৫.১ শিক্ষা ঃ

প্ৰেমচন্দে প্ৰাৰম্ভিক শিক্ষা লাভ কৰিছিল উৰ্দু আৰু ফাৰ্চী ভাষাৰ মাধ্যমেৰে।[৭৪]

তেওঁ ১৮৯৯ চনত বেনাৰসৰ কলেজীয়েট স্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯০৪ চনত উৰ্দু আৰু হিন্দী বিষয় লৈ এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা বিশেষ ৰ্বৰ্ণকুলৰ

পৰীক্ষা পাছ কৰে। ১৯১০ চনত ইণ্টাৰ মিডিয়েট আৰু ১৯১৯ চনত একে বিশ্ববিদ্যালয়ৰ পৰা বি.এ. ডিগ্ৰী লাভ কৰে।[৭৫] আৰ্থিক অনাটনৰ বাবে তেওঁ নিজৰ পঢ়া-শুনাৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাছিল।

**৫.৫.২ কৰ্মক্ষেত্ৰ ঃ**

প্ৰেমচন্দে দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পিছতে শিক্ষকতা কৰিবলৈ লয়। ১৯০৫ চনত তেওঁ এলাহবাদ বিশ্ববিদ্যালয়ৰ ট্ৰেনিং কলেজৰ পৰা শিক্ষকতা কৰিবলৈ অনুমতি লাভ কৰে।[৭৬] প্ৰেমচন্দে গোৰক্ষপুৰ, কানপুৰ আৰু বেনাৰসত অধ্যাপকৰ কাম কৰিছিল। তেওঁ হামিৰপুৰ জিলাত ছবছৰ চাব ডেপুটী ইন্সপেক্টৰ ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তিনিবছৰ ঘৰৰ ওচৰৰে চৰকাৰী বিদ্যালয়তো তেওঁ শিক্ষকতা কৰিছিল।

১৯২১ চনৰ ১১ ফেব্ৰুৱাৰীত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনক সমৰ্থন জনাই প্ৰেমচন্দে চৰকাৰী চাকৰি ইস্তফা দিয়ে। পৰৱৰ্তী সময়ত তেওঁ ব্যক্তিগত বিদ্যালয়ত শিক্ষকতা কৰে।

**৫.৫.৩ সাহিত্য চৰ্চা ঃ**

প্ৰেমচন্দে তেওঁৰ সাহিত্যিক জীৱন আৰম্ভ কৰিছিল ঔপনাসিক আৰু সমালোচক ৰূপে। ১৯০৩ চনত তেওঁৰ প্ৰথম উৰ্দ্দু লঘু উপন্যাস *অসৰাৰে মআবিদ* প্ৰকাশ পায়।[৭৭] ১৯০৭ চনৰ পৰা প্ৰেমচন্দে গল্প লিখিবলৈ আৰম্ভ কৰে। তেওঁৰ এই গল্পসমূহ *জমানা* পত্ৰিকাত প্ৰকাশ পায়। *প্ৰেমচন্দৰ প্ৰথম ৰচনা উৰ্দ্দুতে প্ৰকাশ পাইছিল। সেই সময়ত নবাব ৰায় নামেৰেহে তেওঁৰ ৰচনা প্ৰকাশ পাইছিল। তেওঁ ৰবীন্দ্ৰ নাথৰ গল্পৰ অনুবাদো কৰিছিল।[৭৮] পিছলৈ তেওঁ প্ৰেমচন্দ নামেৰে হিন্দীত লিখিবলৈ আৰম্ভ কৰে আৰু হিন্দী সাহিত্য জগতৰ এগৰাকী অপ্ৰতিদ্বন্দ্বী লেখক ৰূপে প্ৰতিষ্ঠা লাভ কৰে।*[৭৯]

*জমানা* পত্ৰিকাতে লিখিবলৈ লোৱা প্ৰেমচন্দৰ ৰচনাসমূহ *সৰস্বতী, মাধুৰী* আৰু *হংস* পত্ৰিকাত নিয়মীয়াকৈ প্ৰকাশ হৈছিল। তেওঁ এই কাকত-আলোচনীসমূহত নিজেও লিখিছিল আৰু তেওঁৰ নেতৃত্বত এদল নতুন লেখকো সৃষ্টি কৰিছিল। তেওঁ *ভাৰতেন্দু, বাল মুকুণ্ড গুপ্ত আৰু মহাবীৰ প্ৰসাদ দ্বিবেদীয়ে গঢ়ি থৈ যোৱা সুন্দৰ পৰম্পৰাটিক আৰু অধিক উন্নত কৰি থৈ গৈছে।* [৮০] সেই সময়ত কিন্তু তেওঁ *হংস বা মাধুৰী* পত্ৰিকাৰ সম্পাদক নাছিল। পৰৱৰ্তী সময়তহে তেওঁ *মাধুৰী* আৰু *হংস* পত্ৰিকাৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল।

প্ৰেমচন্দে হিন্দী সাহিত্যলৈ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে। সাহিত্যৰ বিভিন্ন বিভাগত তেওঁ কলম চলাইছিল। কবিতাক বাদ দি আধুনিক সাহিত্যৰ প্ৰায় সকলো বিভাগতে তেওঁ হাত দিছিল। তেওঁ মূলতঃ এগৰাকী উপন্যাসিক আৰু গল্পকাৰ আছিল যদিও নাটক, চিন্তাশীল ৰচনা, অনুবাদ, জীৱনী, শিশু সাহিত্য ইত্যাদিৰো উল্লেখনীয় কাম কৰিছে। এই ৰচনাৰাজিৰ বাহিৰেও প্ৰেমচন্দে অসংখ্য সম্পাদকীয়, গ্ৰন্থ সমীক্ষা, গ্ৰন্থৰ ভূমিকা আৰু চিঠি-পত্ৰ লিখি থৈ গৈছে।[৮১]

**৫.৫.৪ সাহিত্য কৃতি ঃ**

প্ৰেমচন্দৰ সাহিত্যৰাজিক এনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি[৮২] ঃ

**উপন্যাস ঃ**

১। *অসৰাৰে মআবিদ (উৰ্দ্দু) বা দেৱস্থান ৰহস্য,* ১৯০৬[৮৩]

২। *হম খুৰ্মা ৱ হামসৱাব* (উৰ্দ্দু), ১৯০৩-১৯০৪

৩। *ৰুঠী ৰাণী* (উৰ্দ্দু), ১৯০৭

৪। *প্ৰেমা,* ১৯০৭

৫। *বৰদান,* ১৯১২

৬। *সেৱাসদন,* ১৯১৮

৭। *প্ৰেমাশ্ৰম,* ১৯২২

৮। *ৰংভূমি,* ১৯২৫

৯। *নিৰ্মলা,* ১৯২৫

১০। *কায়াকল্প,* ১৯২৬

১১। *প্ৰতিজ্ঞা,* ১৯২৭

১২। *গবন,* ১৯৩১

১৩। *কৰ্মভূমি,* ১৯৩২

১৪। *গোদান,* ১৯৩৬

১৫। *মংগল সূত্ৰ* (অসম্পূৰ্ণ) ১৯৪৮[৮৪]

**চুটিগল্প ঃ**

প্ৰেমচন্দৰ সমগ্ৰ গল্প মানসৰোৱৰৰ ৮টা ভাগত সংকলিত হৈছে আৰু *প্ৰেমচন্দ ৰচনাৱলীৰ* একাদশ, দ্বাদশ, ত্ৰয়োদশ আৰু পঞ্চদশ খণ্ডতো ৰচনাৰ ক্ৰম (প্ৰকাশৰ সময়) অনুসৰি গল্পবোৰ এনেদৰে সংকলিত হৈছে[৮৫] —

১। *একাদশ খণ্ড* ঃ ১৯০৪ চনৰ পৰা ১৯১৬ চনলৈ।

২। *দ্বাদশ খণ্ড* ঃ ১৯১৭ চনৰ পৰা ১৯২৩ চনলৈ।

৩। *ত্ৰয়োদশ খণ্ড* ঃ ১৯২৪ চনৰ পৰা ১৯২৭ চনলৈ।

৪। *চতুৰ্দশ খণ্ড* ঃ ১৯২৮ চনৰ পৰা ১৯৩১ চনলৈ।

৫। *পঞ্চদশ খণ্ড* ঃ ১৯৩২ চনৰ পৰা ১৯৩৬ চনলৈ।

**নাটক ঃ**

১। *সংগ্ৰাম,* ১৯২৩

২। *কাৰ্বালা,* ১৯২৩

৩। *প্ৰেম কী বেদী,* ১৯৩৩

**অনুবাদ গ্ৰন্থ ঃ**

১। *শবেতাৰ,* ১৯১৯

২। *সুখদাস,* ১৯২০

৩। *অহংকাৰ,* ১৯২৩

৪। *টলষ্টয় কী কহানিয়াঁ,* ১৯২৩

৫। *আজাদ কথা,* ১৯২৫

৬। *চান্দী কী ডিবিয়া* (নাটক), ১৯৩০

৭। *ন্যায়* (নাটক), ১৯৩০

৮। *হৰতাল* (নাটক), ১৯৩০

৯। *সৃষ্টি কা আৰম্ভ* (নাটক), ১৯৩৭[৮৬]

**জীৱনী গ্ৰন্থ ঃ**

১। *মহাত্মা শেখসাদী,* ১৯১৭

২। *দুৰ্গাদাস,* ১৯৩৪

৩। *কলম, তলৱাৰ অউৰ ত্যাগ,* ১৯৪০

**শিশু সাহিত্য ঃ**

১। *ৰামচৰ্চা,* ১৯২৪

২। *পিতাকে পত্ৰ পুত্ৰীকে নাম,* ১৯৩১

৩। *জংগল কী কহানিয়াঁ,* ১৯৩৬

৪। *কুত্তে কী কহানী,* ১৯৩৬

**অন্যান্য**[৮৭] **ঃ**

১। *প্ৰেমচন্দৰ বিভিন্ন চিঠি-পত্ৰ*

২। *সম্পাদকীয়*

৩। *সমীক্ষা*

৪। *ভাষণ*

**৫.৫.৫ হিন্দী সাহিত্যলৈ অৱদান ঃ**

প্ৰেমচন্দ হিন্দী সাহিত্যৰ এগৰাকী জনপ্ৰিয় লেখক। আধুনিক হিন্দী সাহিত্যত তেওঁ *আদৰ্শন্মুখ যথাৰ্থবাদী পৰম্পৰাৰ* প্ৰতিষ্ঠা কৰিছিল। *তেওঁৰ সাহিত্যৰ বিষয়বস্তু বাস্তৱবাদী আছিল কিন্তু দৃষ্টিকোণ আছিল আদৰ্শবাদী।*[৮৮] ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা হিন্দী সাহিত্যত আৰম্ভ হোৱা আধুনিক যুগৰ বিভিন্ন ঠাললৈ তেওঁ অভূতপূৰ্ব অৱদান আগবঢ়াই গৈছে।

**উপন্যাস ঃ**

ঊনবিংশ শতিকাৰ শেষৰ ফালে শ্ৰীনিবাস দাস ৰচিত (১৮৫০-৮৭) পৰীক্ষাগুৰু (১৮৮২) ৰে আৰম্ভ হোৱা হিন্দী উপন্যাসে প্ৰেমচন্দৰ হাতত পৈণত অৱস্থা লাভ কৰে। সাধাৰণ মানুহৰ সুখ-দুখ, আবেগ-অনুভূতি প্ৰেমচন্দৰ উপন্যাসত সংবেদনশীলভাৱে প্ৰকাশ পায়। সেয়ে হিন্দী উপন্যাস সাহিত্য জগতলৈ প্ৰেমচন্দৰ অৱদান অবিস্মৰণীয়। এইখন ক্ষেত্ৰত তেওঁ উচ্চতম আসন অধিকাৰ কৰি আছে। ১৯০১ চনৰ পৰা সাহিত্যিক জীৱন আৰম্ভ কৰা প্ৰেমচন্দে প্ৰথমে উৰ্দ্দু ভাষাতে তেওঁৰ প্ৰথম উপন্যাস *অসৰাৰে মআবিদ* ৰচনা কৰে। এই উপন্যাসখন হিন্দীত *দেৱস্তান ৰহস্য* নামেৰে প্ৰকাশ হয়। *সেৱাসদন* প্ৰেমচন্দৰ

প্ৰথম হিন্দী উপন্যাস। অৱশ্যে তেওঁৰ দ্বিতীয়খন উৰ্দ্দু উপন্যাস *হামখুৰ্মা ৱ হমসৱাবৰ* হিন্দী অনুবাদ *প্ৰেমা সেৱাসদনৰ* আগত ১৯০৭ চনত প্ৰকাশ পায়। এইখন উপন্যাস প্ৰেমচন্দে নৱাব ৰায় নামেৰে লিখা। *সেৱাসদনত* তেওঁ ভাৰতীয় সমাজ ব্যৱস্থাৰ এটা জ্বলন্ত সমস্যাৰ মনোবৈজ্ঞানিক সমাধানৰ পথ নিৰ্দেশ কৰিছে। ঘোচখোৰী, নাৰীৰ পৰাধীনতা আৰু বেশ্যা বৃত্তিয়ে সৃষ্টি কৰা সামাজিক সমস্যা এইখন উপন্যাসৰ মূল বিষয়। উপন্যাসখনত তেওঁৰ মাজত থকা সমাজ সংস্কাৰকজনে ভুমুকি মাৰিছে।

*প্ৰেমাশ্ৰম* প্ৰেমচন্দৰ এখন ব্যতিক্ৰমধৰ্মী উপন্যাস। গতানুগতিক ৰচনাৰীতিৰ পৰা আঁতৰি আহি প্ৰেমচন্দে এই উপন্যাসখন ৰচনা কৰে। *এইখন উপন্যাসত তেওঁ কৃষকসকলৰ জীৱনৰ চিত্ৰ অংকন কৰিবলৈ চেষ্টা কৰিছিল।*[৮৯]

*নিৰ্মলা* আৰু *গবন* প্ৰেমচন্দৰ কথা-সাহিত্যৰ বিকাশৰ এক মাৰ্গ চিহ্ন। *দুয়োখন উপন্যাসত তেওঁ বাস্তৱবাদক ৰূপায়িত কৰিছে।*[৯০] *গবনত* প্ৰেমচন্দে পৰিস্থিতিৰ সৈতে যুঁজ দিব পৰা নাৰী চৰিত্ৰ *জালপাৰ* সৃষ্টি কৰিছিল।

*ৰংভূমি* প্ৰেমচন্দৰ আন এখন প্ৰমুখ উপন্যাস। তেওঁৰ সকলো উপন্যাসৰ ভিতৰতে বৃহৎ কলেবৰৰ উপন্যাস *ৰংভূমি*। *ৰংভূমিত* প্ৰেমচন্দে গ্ৰাম্য জীৱনৰ সৰলতা আৰু স্বচ্ছতাৰ বিপৰীতে উদ্যোগীকৰণৰ জটিলতা দেখুৱাবলৈ চেষ্টা কৰিছে। *উপন্যাসখনত গ্ৰাম্য জীৱন আৰু কৃষিক তেওঁ উদ্যোগীকৰণতকৈ শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিব খুজিছে।*[৯১]

*কায়াকল্প* প্ৰেমচন্দৰ অন্য এখন সামাজিক উপন্যাস। উপন্যাসখনত তেওঁ সমসাময়িক ভালেমান সামাজিক, সাম্প্ৰদায়িক আৰু ৰাজনৈতিক সমস্যাৰ উত্থাপন কৰিছে আৰু তাৰ সমাধানৰ পথো নিৰ্দেশ কৰিছে।

*কৰ্মভূমি* প্ৰেমচন্দৰ এখন শ্ৰেষ্ঠ উপন্যাস। *উপন্যাসখনত প্ৰেমচন্দে প্ৰধানকৈ ৰাজনৈতিক সমস্যাৰ উত্থাপন কৰিছে। দেশৰ তৎকালীন ৰাজনৈতিক পৰিস্থিতি জমিদাৰ*

*আৰু কৃষকৰ সংঘৰ্ষ আৰু সুদখোৰীয়ে সৃষ্টি কৰা সমস্যাৰ প্ৰতিফলন ঘটিছে কৰ্মভূমিত।*[১২]

*গোদান* প্ৰেমচন্দৰ সৰ্বোৎকৃষ্ট আৰু সফলতম কৃতি। *গোদান কৃষক জীৱনৰ মহাকাব্য।*[১৩] প্ৰেমচন্দে *গোদানত* ভাৰতীয় গ্ৰাম্য জীৱনৰ বিভিন্ন দিশত আলোকপাত কৰিছে। ভাৰতীয় কৃষকৰ সংস্কাৰ আৰু সমস্যাক তেওঁ উপন্যাসখনত উত্থাপন কৰিছে কিন্তু অন্য উপন্যাসৰ দৰে কোনো আদৰ্শ প্ৰতিপন্ন কৰিব খোজা নাই অথবা কোনো সমস্যাৰ সমাধানৰ পথো নিৰ্দেশ কৰা নাই। ভাৰতীয় কৃষক জীৱনৰ ইমান সূক্ষ্ম আৰু বিষাদপূৰ্ণ চিত্ৰণ প্ৰেমচন্দৰ আগতে আন কোনো ঔপন্যাসিকে কৰা নাই।

প্ৰেমচন্দৰ অসম্পূৰ্ণ উপন্যাস *মঙ্গলসূত্ৰত* সাম্যবাদৰ সূচনা হৈছে।

প্ৰেমচন্দৰ সমগ্ৰ উপন্যাস সাহিত্য ভাৰতীয় সাহিত্যৰ এক অমূল্য সম্পদ। উপন্যাস সাহিত্যলৈ তেওঁ আগবঢ়োৱা অৱদানৰ প্ৰতি লক্ষ্য ৰাখি হিন্দী উপন্যাসৰ যুগ বিভাজনক *প্ৰেমচন্দ পূৰ্বযুগ, প্ৰেমচন্দ যুগ* আৰু *প্ৰাক্ প্ৰেমচন্দোত্তৰ* আদি যুগত বিভাজন কৰা হয়।

হিন্দী উপন্যাসত প্ৰেমচন্দে এটা নতুন যুগৰ সূচনা কৰি গৈছে। তেওঁৰ আগতে যিবোৰ উপন্যাস ৰচিত হৈছিল, সেইবোৰত একো একোটা আদৰ্শৰ ৰূপায়ণ হৈছিল। *সেই সময়ৰ লেখকসকলৰ প্ৰধান লক্ষ্য আছিল মনোৰঞ্জন প্ৰদান আৰু সমাজ সংস্কাৰহে। আদৰ্শবাদে প্ৰাধান্য পোৱা কাৰণে সেইবোৰ উপন্যাসৰ কলাৰ দিশত উপদেশৰ এখন ডাঠ আৱৰণে ঢাকি ৰাখিছিল। সেয়ে তৎকালীন উপন্যাসত বাস্তৱিকতা প্ৰকাশ পোৱা নাছিল।*[১৪]

প্ৰেমচন্দে নিম্নবৰ্গৰ, সাধাৰণ কৃষক জীৱনৰ সুখ-দুখ আৰু তেওঁলোকৰ জীৱনৰ বিভিন্ন দিশত আলোকপাত কৰি উপন্যাস ৰচনা কৰিছিল। অৱশ্যে নগ্ন বাস্তৱক তেওঁ প্ৰতিফলিত কৰিব বিচৰা নাছিল। সাধাৰণ জনতাৰ মঙ্গল কামনা তেওঁৰ আদৰ্শ আছিল। সেয়ে তেওঁৰ প্ৰায় সকলো ৰচনাতে বাস্তৱবাদ আৰু আদৰ্শবাদ একেলগে ফুটি উঠিছিল।

প্ৰেমচন্দৰ এই বাস্তৱবাদক *আদৰ্শনুখ যথাৰ্থতাবাদ* বুলি কোৱা হয়। অৱশ্যে তেওঁৰ শেষ উপন্যাস *গোদানত* তেওঁ সম্পূৰ্ণভাৱে বাস্তৱতাকহে দাঙি ধৰিছে।

**চুটিগল্প ঃ**

হিন্দী চুটিগল্পলৈ প্ৰেমচন্দে অতুলনীয় অৱদান আগবঢ়াই গৈছে। প্ৰেমচন্দ অবিহনে হিন্দী চুটিগল্পৰ অধ্যয়ন অসম্ভৱ। তেওঁ হিন্দী আৰু উৰ্দ্দু দুয়োটা ভাষাতে চুটিগল্প ৰচনা কৰিছিল। প্ৰথমে উৰ্দ্দুত নৱাব ৰায় নামেৰে ৰচনা কৰা গল্প সংগ্ৰহ *সাজে বতন* প্ৰকাশ পায়। উৰ্দ্দু সাহিত্য জগতত প্ৰেমচন্দে এখন উচ্চ আসন দখল কৰিছিল। প্ৰেমচন্দৰ পূৰ্বেও হিন্দী সাহিত্যত গল্প ৰচনা হৈছিল যদিও তেওঁৰ হাততহে হিন্দী চুটিগল্পই প্ৰতিষ্ঠা লাভ কৰে।

প্ৰেমচন্দৰ সকলো গল্প একে পৰ্যায়ৰ নহয়। আৰম্ভণিতে তেওঁ আদৰ্শবাদী গল্প ৰচনা কৰিছিল। লাহে লাহে তেওঁৰ গল্পত আদৰ্শবাদ আৰু বাস্তৱবাদৰ সমাহাৰ ঘটিছিল। এই সময়ৰ গল্পৰ বিষয়বস্তু বাস্তৱ হ'লেও যিকোনো আদৰ্শতহে তাৰ পৰিসমাপ্তি ঘটিছিল। প্ৰেমচন্দৰ শেষ বয়সৰ গল্পবোৰ অধিক বাস্তৱসন্মত ৰূপত ৰচিত হৈছিল। *একেজন গল্পকাৰৰ গল্পতে আদৰ্শ আৰু বাস্তৱৰ অপূৰ্ব সমাহাৰ ঘটা আৰু শেষত বাস্তৱবাদে (যথাৰ্থবাদ) প্ৰতিষ্ঠা লাভ কৰা হিন্দী সাহিত্যৰ বাবে এটা আচৰিত ঘটনা বুলি বিবেচিত হৈছে।*[৯৫]

প্ৰেমচন্দৰ *কফন, ঠাকুৰ কা কুঁৱা, দুধ কা দাম, সদ্গতি, বড়ে ঘৰ কী বেটী, পুস কী ৰাত* আদি গল্প হিন্দী সাহিত্যৰ শ্ৰেষ্ঠ গল্প। ভাৰতীয় গ্ৰাম্য সমাজৰ বিভিন্ন দিশৰ চিত্ৰ তেওঁৰ গল্পত প্ৰতিফলিত হৈছে। বিশেষকৈ কৃষক জীৱনৰ বিভিন্ন দিশত তেওঁ পোহৰ পেলাইছে। গল্পসমূহৰ মাজেৰে মহাজন, ঠাকুৰ, জমিদাৰ আদিৰ শোষণ আৰু অত্যাচাৰত জৰ্জৰিত কৃষক সকলৰ প্ৰতি তেওঁৰ সহমৰ্মিতা প্ৰকাশ পাইছে। প্ৰেমচন্দৰ গল্পত সমাজৰ নিম্ন শ্ৰেণীৰ (দলিত) লোকসকলৰ জীৱনত নিৰক্ষৰতা আৰু অন্ধবিশ্বাসে সৃষ্টি কৰা নানান সমস্যাও দাঙি ধৰিছে।

প্ৰেমচন্দৰ গল্পত সমাজৰ ভাঙিবলৈ ধৰা যৌথ পৰিয়ালৰ চিত্ৰও অংকিত হৈছে। মুঠতে তেওঁৰ গল্পত সমসাময়িক ভাৰতীয় সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক জীৱনত সৃষ্টি হোৱা বিভিন্ন সমস্যা আৰু কিছুমান দিশৰ মনোবৈজ্ঞানিক সমাধানৰ পথো নিৰ্দেশ কৰিছে।

**নাটক ঃ**

প্ৰেমচন্দে তিনিখন মৌলিক নাটক ৰচনা কৰিছিল—*সংগ্ৰাম, কাৰ্বালা* আৰু *প্ৰেম কী বেদী*। *সংগ্ৰাম* সমসাময়িক সমাজৰ বিভিন্ন সমস্যাৱলীৰ ওপৰত আধাৰিত। গ্ৰাম্য অশিক্ষিত সমাজ আৰু সভ্য সমাজৰ তুলনাত্মক অধ্যয়নেৰে নাটকীয় কাহিনী গঢ়ি উঠিছে। ভাৰতীয় সমাজৰ কৃষক আৰু জমিদাৰৰ মাজৰ সংঘৰ্ষ, এগৰাকী নাৰীক কৌশলেৰে ভোগৰ সামগ্ৰী ৰূপে ব্যৱহাৰ কৰিব খোজা দুই ভাই-ককাইৰ মাজৰ সংঘাট আৰু পৰিণতিয়েই *সংগ্ৰাম* নাটৰ মূল উপজীৱ্য।

*প্ৰেম কী বেদীত* প্ৰেমচন্দে এটা বিবাহ সম্বন্ধীয় সমস্যাক নাট্যৰূপ প্ৰদান কৰিছে। *খৃষ্টান ধৰ্ম আৰু হিন্দুধৰ্মৰ তুলনা, সমাজত নাৰীৰ দমনীয় স্থিতি, পুৰুষৰ ভোমোৰা মনোবৃত্তি, প্ৰাচীন আৰু আধুনিক বিবাহ ব্যৱস্থাৰ পাৰ্থক্য, দাম্পত্য প্ৰেমৰ বিষমতা, অন্য ধৰ্মৰ পুৰুষৰ সৈতে প্ৰেম আৰু তাৰ বিষম পৰিণাম, বিবাহ আৰু ধৰ্ম আদি অনেক প্ৰশ্ন এই নাটকখনত উত্থাপন কৰা হৈছে।*[৯৬]

*কাৰ্বালা* ঐতিহাসিক নাটক। ধৰ্ময়ো নাটখনত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। *কাৰবালাত* মুছলমান সকলৰ সংস্কৃতি আৰু ধৰ্মযুদ্ধক নাটকীয় ৰূপ দিয়া হৈছে।

প্ৰেমচন্দৰ উপন্যাস আৰু গল্পৰ দৰে নাটকতো সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় পৰম্পৰাৰ সৃষ্ট বিভিন্ন সমস্যাৰ চিত্ৰ দেখিবলৈ পোৱা যায়।

**অনুবাদ গ্ৰন্থ ঃ**

অনুবাদ সাহিত্যৰ জৰিয়তেও প্ৰেমচন্দে হিন্দী সাহিত্যলৈ অৰদান দি গৈছে। প্ৰেমচন্দে টলষ্টয়ৰ চুটিগল্পৰ অনুবাদ কৰিছে *টলষ্টয় কী কহানী* নামেৰে। এই গল্প সংকলন খনত তেওঁ টলষ্টয়ৰ গল্পৰ অনুবাদৰ লগতে ৰূপান্তৰো কৰিছে। *ভাৰতীয় পাঠকৰ ৰুচি-অভিৰুচীৰ প্ৰতি লক্ষ্য ৰাখি মূলৰ কোনো হানি-বিঘিনি নোহোৱাকৈ তেওঁ গল্পবোৰ অনুবাদ কৰিছিল।*[৯৭]

অনাতোলা ফ্ৰান্সৰ *Thais* ৰ হিন্দী ৰূপান্তৰ *অহংকাৰ,* জৰ্জ ইলিয়েটৰ *Silas Mariner*ৰ হিন্দী ৰূপান্তৰ *সুখদাস,* মেটাৰলিংকৰ নাটক *Sightles*ৰ উৰ্দ্দু অনুবাদ *শবেতাৰ* তেওঁৰ অন্যতম অনুবাদ গ্ৰন্থ।

প্ৰেমচন্দে গল্ডচৰডীৰ ইংৰাজী নাটক *চিল্‌ভাৰ বক্স, জাষ্টিচ* আৰু *ষ্ট্ৰাইক*ৰ হিন্দী অনুবাদ কৰিছে ক্ৰমে *চান্দী কী ডিবিয়া, ন্যায়* আৰু *হড়তাল* নামেৰে। বাৰ্ণাড শ্বৰ নাটক *বেক টু মেথিউ চেল্‌হ* অনুবাদ কৰিছে *সৃষ্টি কা আৰম্ভ* নামেৰে। প্ৰেমচন্দে কেৱল বিদেশী সাহিত্যৰে অনুবাদ কৰা নাই তেওঁ উৰ্দ্দু সাহিত্যিক পণ্ডিত ৰতননাথ সৰশাৰ প্ৰসিদ্ধ গ্ৰন্থ *ফচানা-এ-আজাদ*ৰ হিন্দী ৰূপান্তৰো কৰিছে *আজাদ কথা* নামেৰে।

**জীৱনী গ্ৰন্থ আৰু শিশু সাহিত্য ঃ**

প্ৰেমচন্দে জীৱনী সাহিত্যলৈয়ো অৰদান আগবঢ়াই গৈছে। *মহাত্মা শেখসাদী, দুৰ্গাদাস* আৰু *কলম, তলৱাৰ অউৰ ত্যাগ* তেওঁৰ তিনিখন জীৱনী গ্ৰন্থ। হিন্দী জীৱনী সাহিত্যৰ প্ৰৱাহক শক্তিশালী ৰূপ প্ৰদানত এই জীৱনী কেইখনৰ অৰদান স্মৰণীয়। অৱশ্যে এই জীৱনী কেইখন তেওঁ শিশুসকলৰ উপযোগীকৈহে ৰচনা কৰিছিল।

শিশু সাহিত্যলৈ প্ৰেমচন্দে আৰু কেইবাখনো গ্ৰন্থৰ অৰদান আগবঢ়াই গৈছে। তেওঁ শিশুৰ উপযোগীকৈ *ৰামচৰ্চা* ৰচনা কৰিছিল। মুঠ সাতটা কাণ্ডত ৰচিত এই পুথিখনৰ ভাষা

সৰল। *বাল্মিকী ৰামায়ণ* আৰু *ৰামচৰিত মানস*ক আধাৰ ৰূপে লৈ এই পুথিখন ৰচনা কৰিছে।

প্ৰেমচন্দে *জংগল কী কহানীয়া* আৰু *কুত্তে কী কহানী* নামেৰে আন দুখন শিশুৰ উপযোগী গল্পপুথি ৰচনা কৰি গৈছে। এই পুথিসমূহৰ ভাষা সৰল আৰু সাৱলীল; বৰ্ণনা ৰীতিও মনোৰম।

**অন্যান্য ঃ**

প্ৰেমচন্দ কেৱল কথা শিল্পীয়েই নাছিল, তেওঁ এগৰাকী পত্ৰকাৰো আছিল। তেওঁ *সৰস্বতী, মৰ্যদা* আৰু *মাধুৰী* কাকতৰ সম্পাদক ৰূপে কিছুদিন কাৰ্যনিৰ্বাহ কৰিছিল। *হংস*ৰ সম্পাদকৰ দায়িত্বত থকা সময়ত প্ৰকাশ পোৱা প্ৰেমচন্দৰ বিভিন্ন সম্পাদকীয় চিঠি-পত্ৰ আৰু সমালোচনা সমূহো অতি মূল্যৱান সামগ্ৰী ৰূপে *প্ৰেমচন্দ ৰচনাৱলী*ত সংৰক্ষিত হৈছে। *হিন্দী সাহিত্যৰ প্ৰায় সকলো বিখ্যাত সাহিত্যিকে কোনো কোনো পত্ৰিকা বা আলোচনীৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিছিল।*[৯৮] হিন্দী সাহিত্যত ভৰতেন্দুৰ সময়ৰ পৰাই এই পৰম্পৰাৰ প্ৰচলন হৈ আহিছিল। *প্ৰেমচন্দেও এই পৰম্পৰা সুন্দৰভাৱে পালন কৰিছিল। সংবাদপত্ৰ আৰু সাংবাদিকতাৰ জৰিয়তে দেশ-বিদেশৰ ঘটনাৰ খবৰ দিয়াৰ লগতে জনতাৰ সৈতে সাহিত্য আৰু সাহিত্যিকৰ সম্পৰ্ক মজবুত কৰি তুলিছিল।*[৯৯] *প্ৰেমচন্দৰ হংস পত্ৰিকা তৎকালীন হিন্দী সাহিত্যৰ প্ৰতিনিধি পত্ৰিকা ৰূপে পৰিগণিত হৈছিল।*[১০০]

প্ৰেমচন্দে দেশৰ সাহিত্য আৰু সংবাদ জগতলৈ যেনেদৰে অৱদান আগবঢ়াইছিল, তেনেদৰে বিভিন্ন অনুষ্ঠানৰ সাংগঠনিক দিশতো নেতৃত্ব দিছিল। নিখিল ভাৰত প্ৰগতি লেখক সংগৰ তেওঁ সক্ৰিয় কৰ্মী আছিল। ১৯৩৬ চনত এই সংঘৰ প্ৰথম অধিৱেশনৰ সভাপতিৰ পদ তেওঁ শুৱনি কৰিছিল।[১০১]

**৫.৬ ভাৰতীয় সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দৰ স্থান ঃ**

*ভাৰতীয় সাহিত্য* ভাৰতত সকলো আঞ্চলিক সাহিত্যৰ এক সমষ্টিগত ৰূপ। অসমীয়া, বঙালী, উৰিয়া, মাৰাঠী, তামিল, তেলেগু, হিন্দী আদি আঞ্চলিক সাহিত্যৰ অৱদানেৰে ভাৰতীয় সাহিত্য সমৃদ্ধ হৈছে। ভাৰতীয় আধুনিক ভাষাসমূহত প্ৰায় সমসাময়িকভাৱে নৱজাগৰণৰ সৃষ্টি হৈছে। প্ৰাচীন সাহিত্য ৰচনাৰ পৰম্পৰাৰ সৈতে পাশ্চাত্য সাহিত্যৰ সমন্বয়েৰে প্ৰত্যেক ভাষাই আধুনিক ভাৰতীয় সাহিত্যৰ বৰভেটি নিৰ্মাণত বৰঙণি যোগাইছে।

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দে অসমীয়া আৰু হিন্দী সাহিত্যৰ দুগৰাকী বিশিষ্ট সাহিত্যিক। নিজ নিজ ভাষা-সাহিত্য-সংস্কৃতিলৈ উভয়ৰে গভীৰ শ্ৰদ্ধা আছিল যদিও তেওঁলোকে পাশ্চাত্য সাহিত্যৰ প্ৰভাৱো উদাৰভাৱে গ্ৰহণ কৰি অসমীয়া আৰু হিন্দী সাহিত্যৰ বিভিন্ন শাখাক সমৃদ্ধিশালী কৰি গৈছে। তেওঁলোকৰ সাহিত্যত আঞ্চলিক বৈশিষ্ট্য প্ৰকাশ পাইছে। বেজবৰুৱাৰ সাহিত্যত বিশেষকৈ গল্পসমূহৰ মাজত অসমীয়া সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু সাংস্কৃতিক জীৱনৰ চিত্ৰ প্ৰতিফলিত হৈছে। অসমৰ উপৰিও কলিকতা আৰু উৰিষ্যাৰ সমাজ জীৱনৰ প্ৰতিফলন বেজবৰুৱাৰ গল্পত দেখিবলৈ পোৱা যায়। প্ৰেমচন্দৰ গল্পতো হিন্দী ভাষী ক্ষেত্ৰখনৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ বাস্তৱ চিত্ৰ প্ৰকাশ পাইছে। উভয়ৰে সাহিত্যত এই আঞ্চলিক বৈশিষ্ট্য সমূহৰ মাজতে ভাৰতীয় সাহিত্যৰ উমৈহতীয়া বৈশিষ্ট্য সমূহো প্ৰকাশ পাইছে।

ভাৰতীয় সাহিত্যত প্ৰকাশ পোৱা উমৈহতীয়া বৈশিষ্ট্যসমূহৰ ভিতৰত এটা প্ৰধান বৈশিষ্ট্য হ'ল ভাৰতীয় দৰ্শনৰ প্ৰভাৱ। ভাৰতীয় লোকৰ মনত দৰ্শনৰ প্ৰভাৱ বৰ গভীৰ। *বিশ্ব সাহিত্যৰ মাজত ভাৰতীয় সাহিত্য একক হৈ আছে এই দাৰ্শনিক চিন্তাৰ বিশিষ্টতাৰ*

*বাবে। ষড় দৰ্শনৰ বিভিন্ন তত্ত্বই ৰেখাপাত কৰা ভাৰতীয় মনত জীৱন আৰু মৃত্যু সম্পৰ্কে যি ধাৰণা আছে তাৰ ভিতৰত জন্মান্তৰবাদ আত্মাৰ অবিনশ্বৰতা, কৰ্মফল আদিৰ ধাৰণা অতি প্ৰৱল। ধৰ্ম, অৰ্থ, কাম, মোক্ষৰ ধাৰণাও অতি স্পষ্ট। ... এইবোৰ দাৰ্শনিক চিন্তা-ধাৰাৰ বীজ ভাৰতৰ লোকমন আৰু লোক-সংস্কৃতিত এনেভাৱে মিহলি হৈ আছে যে বিভিন্ন অঞ্চলৰ সাহিত্যত ই যিকোনো প্ৰকাৰে প্ৰতিফলিত হয়।*[১০২] লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পতো এই প্ৰভাৱ দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ *গীতা, লাওখোলা, মৈদাম, মালতী, নিস্তাৰিণী দেৱী* বা *ফাতেমা বিবি* আদি গল্পত ভাৰতীয় দৰ্শনৰ এই প্ৰভাৱ প্ৰতিফলিত হৈছে। প্ৰেমচন্দৰ গল্প *সৱাসেৰ গেহু, বলিদান, নেউৰ* আদিতো ভাৰতীয় দৰ্শনৰ এই দিশবোৰৰ প্ৰভাৱ পৰিলক্ষিত হয়।

ভাৰতীয় নৱজাগৰণৰ ফলস্বৰূপে উন্মেষ হোৱা জাতীয় চেতনা আধুনিক ভাৰতীয় সাহিত্যৰ এটা বিশিষ্ট লক্ষণ। বেজবৰুৱা আৰু প্ৰেমচন্দ উভয়ৰে গল্পত জাতীয় চেতনাৰ প্ৰকাশ ঘটিছে। নিজ দেশৰ ভাষা-সংস্কৃতি আৰু প্ৰাচীন মূল্যবোধৰ প্ৰতি প্ৰৱল প্ৰেম আৰু সমাজ সচেতনতা দুয়োৰে গল্পত দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ ব্যংগ প্ৰধান গল্প *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা* আৰু *বিহু* গল্পত নিজৰ দেশৰ ভাষা, ৰীতি-নীতি, খাদ্যাভ্যাস, সাজ-পাৰ আৰু উৎসৱ-অনুষ্ঠানক ভাল পাব নজনা লোকসকলক তেওঁ ব্যংগ কৰিছে। তেওঁৰ গল্প *ছাইমন, আমালৈ নাপাহৰিব* আৰু *কাশীবাসী*ৰ প্ৰবাসী চৰিত্ৰ কেইটাৰ মাজত এৰি যোৱা স্বদেশৰ প্ৰতি তীব্ৰ তান প্ৰকাশ পাইছে।

ভাৰতৰ স্বাধীনতা আন্দোলনক বিষয়বস্তু ৰূপে লৈ ৰচনা কৰা *সুহাগ কী শাড়ী, তাৱান, সত্যাগ্ৰহ, অনুভৱ, মাঁ, ভাড়ে কা টাট্টু, মাতা কা হৃদয়* আদি গল্পৰ মাজেৰে স্বদেশৰ প্ৰতি থকা প্ৰেমচন্দৰ প্ৰেম আৰু কৰ্তব্য নিষ্ঠা প্ৰকাশ পাইছে। এই গল্পসমূহত পৰাধীনতাৰ শিকলি চিঙাৰ আকাংক্ষাও ফুটি উঠিছে।

জাতীয় ঐতিহ্যৰ প্ৰতি প্ৰৱল অনুৰাগ আধুনিক ভাৰতীয় সাহিত্যৰ আন এটা বিশেষত্ব। এই অনুৰাগ বেজবৰুৱা আৰু প্ৰেমচন্দৰ ভালেমান গল্পৰ মাজেৰে প্ৰকাশ পাইছে। উভয়ে নিজ নিজ দেশৰ অতীত বুৰঞ্জীক বিষয়বস্তু ৰূপে লৈ ৰচনা কৰা গল্পসমূহৰ মাজত এই বৈশিষ্ট্য প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ *কনকলতা, মালতী, জয়ন্তী, মৈদাম;* প্ৰেমচন্দৰ *ৰাণী সাৰন্ধা, ৰাজা হৰদৌল, পৰীক্ষা* আদি গল্প এইক্ষেত্ৰত উল্লেখযোগ্য।

মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰতিফলন আধুনিক ভাৰতীয় সাহিত্যৰ এটা প্ৰধান বৈশিষ্ট্য। বেজবৰুৱাৰ ললিতী (*ললিতী কাকতী*), পাতমুগী (*পাতমুগী*), তিলকা (*বাপিৰাম*)ই গান্ধীৰ আদৰ্শ গ্ৰহণ কৰি ব্যক্তিগত জীৱনৰ আশা-আকাংক্ষা ত্যাগ কৰি মানৱ সেৱাক জীৱনৰ ব্ৰত কৰি লৈছে। প্ৰেমচন্দৰ নোহৰী (*সমৰযাত্ৰা*), কৰুণা (*মাঁ*)ৰ দৰে চৰিত্ৰৰ মাজেৰে এই আদৰ্শ প্ৰকাশ পাইছে।

আধুনিক ভাৰতীয় সাহিত্যৰ আন এটা উমৈহতীয়া লক্ষণ হ'ল প্ৰগতিবাদ। শ্ৰেণী বৈষম্য, দুৰ্নীতি আৰু শোষণ-নিপীড়ণৰ বিৰুদ্ধে থিয় দিয়া, দৰিদ্ৰ জনতাৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰা আদি লক্ষণ ভাৰতীয় সাহিত্যৰ বিভিন্ন শাখাত প্ৰতিভাত হৈছিল। বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পতো এই লক্ষণ প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ *দচ্‌মন্তৰ, পাতমুগী, ললিতী কাকতী, ৰচিত, বাপিৰাম, মিষ্টাৰ ফিপ্সন, জাতিৰামৰ জাত, লম্বোদৰ ডেকা, নিস্তাৰিণী দেৱী* বা *ফাতেমা বিবি* আদি গল্পত দুৰ্নীতি, শোষণ, নিপীড়ণ আৰু শ্ৰেণী বৈষম্যৰ বিৰুদ্ধে মাত মাতিছে। সামন্তবাদী শোষণ আৰু জাত-পাতৰ বৈষম্যৰ বিৰুদ্ধে প্ৰেমচন্দৰ গল্প *সদ্‌গতি, পুস কী ৰাত, ঠাকুৰ কা কুঁৱা, মন্দিৰ, কফন* আদিত প্ৰতিবাদ ধ্বনিত হৈছে।

ভাৰতীয় সাহিত্যৰ অখণ্ডতাৰ স্বৰূপ অধ্যয়নৰ বাবে সবাতোকৈ সহায়ক হয় গল্প আৰু উপন্যাসসমূহ। আধুনিক কালৰ সাহিত্যৰ এই ধাৰাত ভাৰতীয় মন আৰু ভাৰতীয় সংস্কৃতিৰ প্ৰকৃত প্ৰতিফলন বিচাৰি পাব পাৰি। *ভাৰতীয় প্ৰাণৰ স্পন্দন আছে গাঁওবোৰত।*

*গাঁও অঞ্চলৰ মানুহৰ সুখ-দুখ, আশা-সপোন আৰু জীৱন সংগ্ৰাম কাষে কাষে বৰ্তি থকা মানৱীয় মূল্যবোধৰ ছবিয়ে এখন বিশাল দেশৰ জনসাধাৰণৰ জীৱন চিত্ৰ দাঙি ধৰে। ছবিবোৰ আঞ্চলিক হৈয়ো জাতীয়। অসম, বঙ্গ, উৰিষ্যা বা কেৰেলাৰ জনসাধাৰণৰ জীৱন কাহিনীৰ মাজত মূৰ্ত হৈ উঠে সমগ্ৰ ভাৰতীয় মানুহৰ মন আৰু আত্মাৰ বাতৰি।*[১০৩]

প্ৰেমচন্দৰ সৰহভাগ গল্প গ্ৰাম্য জীৱন সম্বন্ধীয়। এই গল্পসমূহত ভাৰতীয় গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ অংকিত হৈছে। ভাৰতীয় গ্ৰাম্য জীৱনত সাধাৰণ কৃষক, মজদুৰ আদি লোকৰ সংগ্ৰামপূৰ্ণ জীৱন, মহাজন, ঠাকুৰ, জমিদাৰ শ্ৰেণীৰ শোষণ-নিপীড়ণ, অন্ধবিশ্বাস আৰু নিৰক্ষৰতাৰ বাবে সৃষ্টি হোৱা নানান সমস্যাৰে প্ৰেমচন্দৰ গল্প পৰিপূৰ্ণ। ভাৰতীয় কৃষক-শ্ৰমিক, দলিত আৰু নিপীড়িতসকলৰ প্ৰতি থকা সহমৰ্মিতা তেওঁৰ এই গল্পসমূহত প্ৰকাশ পাইছে। বেজবৰুৱাৰ *ভদৰী, পাতমুগী, যেনে চোৰ তেনে টাঙোন, বিহু, ৰতনমুণ্ডা, ভেমপুৰীয়া মৌজাদাৰ, দচ্‌মন্তৰ, সেউতী, ধোঁৱাখোৱা* আদি গল্পৰ মাজেৰেও ভাৰতীয় গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ প্ৰকাশ পাইছে।

প্ৰেম, মানৱতাবাদ আৰু সৌন্দৰ্য্যতত্ত্বৰ প্ৰকাশে ভাৰতীয় সাহিত্যত সদায়ে গুৰুত্ব লাভ কৰি আহিছে। বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পত প্ৰেম, মানৱতাবাদ আৰু সৌন্দৰ্য্যতত্ত্বৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ গল্প *কন্যাত* প্ৰেমৰ শান্ত, সমাহিত ৰূপৰ প্ৰকাশ ঘটিছে। *মাধৈমালতী, কনকলতা, ৰতন মুণ্ডা* আদি গল্পতো প্ৰেমৰ মাধুৰী প্ৰকাশ পাইছে। *জলকুঁৱৰী, কন্যা* আৰু *নকওঁ* গল্পত প্ৰকৃতিৰ শান্ত, মনোৰম সৌন্দৰ্য্য আৰু নিজম ৰূপৰ প্ৰতিফলন ঘটিছে। প্ৰেমচন্দৰ *বিশ্বাস, সৌভাগ্য কে কোড়ে, জ্যোতি, স্বামিনী, বালক, লৈলা* আদি ভালেমান গল্পত প্ৰেমৰ মহিমা প্ৰকাশ পাইছে। প্ৰেম আৰু প্ৰেমাস্পদৰ বাবে আহৰণ কৰা সাহস, ত্যাগ আদি গুণৰ প্ৰকাশেৰে এই গল্পবোৰ সমুজ্জ্বল হৈ আছে। বেজবৰুৱা আৰু প্ৰেমচন্দ উভয়ৰে গল্পত দাম্পত্য প্ৰেমৰ মধুৰ চিত্ৰও প্ৰকাশ পাইছে।

বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পত ভাৰতীয় সমাজৰ ভালেমান উমৈহতীয়া সমস্যা প্ৰকাশ পাইছে। জাতি ভেদৰ সমস্যা, নাৰীৰ অধিকাৰ, বিধৱা সকলৰ সামাজিক নিৰাপত্তাহীনতা, যৌতুক প্ৰথা, অমিল বিবাহ, অসবৰ্ণ বিবাহ আদি সমস্যাৰ চিত্ৰ দুয়োৰে গল্পত প্ৰতিফলিত হৈছে। এই সমস্যাসমূহ বৰ্তমানো ভাৰতবৰ্ষৰ সকলো ঠাইতে বিদ্যমান। সেইদৰে শিক্ষিত মধ্যবিত্তৰ কুৎসিত মানসিকতা, দেশপ্ৰেমহীনতা, বিলাস আৰু কৰ্ম বিমুখতা আদি সমস্যাও তেওঁলোকৰ গল্পত চিত্ৰিত হৈছে। এই সমস্যাবোৰ সমসাময়িক সমগ্ৰ ভাৰতৰে সমস্যা। গতিকে বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পই আঞ্চলিক বৈশিষ্ট্য বহন কৰিও ভাৰতীয় জাতীয় জীৱনৰ বিভিন্ন দিশ আৰু জাতীয় সাহিত্যৰ ভালেমান বৈশিষ্ট্যৰ প্ৰতিফলন ঘটাইছে। সেইবাবে ভাৰতীয় সাহিত্যৰ অধ্যয়নত বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পৰাজিৰ গুৰুত্ব অনস্বীকাৰ্য।

**৫.৭ উপসংহাৰ ঃ**

ভাৰতবৰ্ষ এখন বিশাল আৰু বৈচিত্ৰপূৰ্ণ দেশ। বিভিন্ন জাতি, ধৰ্ম আৰু ভাষাৰ লোকে ভাৰতবৰ্ষত বসবাস কৰি আহিছে। ভাৰতৰ ভিন ভিন প্ৰান্তত ভিন ভিন ভাষাৰ আঞ্চলিক সাহিত্যৰ সৃষ্টি হৈছে। *ভাৰতৰ প্ৰতিটো ভাষা-সাহিত্যই নিজস্ব বৈশিষ্ট্যবোৰ অব্যাহত ৰাখিও এক ভাৰতীয় পৰিচয়ৰে আত্মপ্ৰকাশ কৰিছে।* [১০৪] আঞ্চলিক হৈয়ো এই সাহিত্যসমূহে ভাৰতীয় সাহিত্যৰ উমৈহতীয়া বৈশিষ্ট্যসমূহ বহন কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দ অসমীয়া আৰু হিন্দী সাহিত্যৰ দুগৰাকী যুগজয়ী সাহিত্যিক। অসমীয়া আৰু হিন্দী সাহিত্যলৈ তেওঁলোকে উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। তেওঁলোকৰ সাহিত্যত ভাৰতীয় সাহিত্যৰ ভালেমান উমৈহতীয়া বৈশিষ্ট্য প্ৰকাশ পাইছে। উভয়ে অসমীয়া আৰু হিন্দী সাহিত্যক প্ৰগতিৰ বাটত আগুৱাই নিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এই অৱদানৰ বাবে ভাৰতীয় সাহিত্যত তেওঁলোক সদায় স্মৰণীয় হৈ থাকিব।

**পাদটীকা ঃ**

১। বৰ্তমান ভাৰতৰ সংবিধান স্বীকৃত ভাষা ২২টা

২। নগেন শইকীয়া ঃ *ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা*, পৃষ্ঠা ঃ ১৫৭

৩। শৈলেন ভৰালী ঃ *আধুনিক ভাৰতীয় সাহিত্য*, প্ৰস্তাৱনা, পৃষ্ঠা ঃ ০

৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ০

৫। উপেন্দ্ৰ নাথ গোস্বামী ঃ *ভাষা বিজ্ঞান*, পৃষ্ঠা ঃ ১৭

*ভাৰতীয় আৰ্যভাষাৰ* শেষ স্তৰত *মাগধী অপভ্ৰংশৰ* পৰা *অসমীয়া ভোজপুৰী, মৈথিলী, মগহী, বঙলা* আৰু *উৰিয়া* ভাষাৰ জন্ম হয়।

৬। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৭

হিন্দীৰ পাঁচটা আঞ্চলিক ৰূপৰ ভিতৰত *পশ্চিমী হিন্দী* মধ্যদেশীয় প্ৰাকৃত *শৌৰসেনীৰ* বংশধৰ। *খড়ীবোলী পশ্চিমী হিন্দীৰ* মুখ্য উপভাষা। ইয়াৰ দুটা সাহিত্যিক ৰূপৰ এটা হ'ল *হিন্দী* আৰু আনটো *উৰ্দ্দু*।

৭। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৮

৮। অসমৰ ৰাজ্য ভাষা ৰূপে অসমীয়া ভাষাই ১৯৬০ চনত স্বীকৃতি লাভ কৰে। (THE ASSAM OFFICAL LANGUAGE ACT., 1960)

৯। অতুল চন্দ্ৰ হাজৰিকা (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, জোৰণি, পৃষ্ঠা ঃ (ছ)

১০। লক্ষ্মীনাথ বেজবৰুৱা ঃ *মোৰ জীৱন-সোঁৱৰণ*, পৃষ্ঠা ঃ ১

১১। নৰকান্ত বৰুৱা ঃ *বেজবৰুৱাৰ জীৱন আলেখ্য, লক্ষ্মীনাথ বেজবৰুৱা*, অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা ঃ ৩

১২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২

১৩। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২

১৪। অতুলচন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭, ১৩, ২২, ২৩

১৫। শোণিত বিজয় দাস, মুনীন বায়ন (সম্পাঃ) ঃ কথা বৰেণ্য ১০০, পৃষ্ঠা ঃ ৩০৪

১৬। নৰকান্ত বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৩

১৭। যতীন্দ্ৰ নাথ গোস্বামী ঃ *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা*, পৃষ্ঠা ঃ ৪৭

১৮। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৭

১৯। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৩

২০। বিশ্ব নাৰায়ণ শাস্ত্ৰী, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪১

২১। অঞ্জল বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭

২২। শৈলেন ভৰালী ঃ *প্ৰসঙ্গ সাহিত্যৰথী*, পৃষ্ঠা ঃ ২৫

২৩। বেজবৰুৱাৰ জীৱন কালত প্ৰকাশিত গ্ৰন্থসমূহ ১৯১৫ চনৰ ভিতৰতে প্ৰকাশ পায়। তেওঁৰ মৃত্যুৰ পিছতো কেইগৰাকীমান লোকৰ ব্যক্তিগত প্ৰচেষ্টাত কেইবাখনো গ্ৰন্থ প্ৰকাশ পায়। ১৯৬৮ চনত বেজবৰুৱাৰ শতবৰ্ষিকী উপলক্ষে সাহিত্য প্ৰকাশে *বেজবৰুৱা গ্ৰন্থাৱলী* প্ৰথম খণ্ড প্ৰকাশ কৰে। ১৯৭০ চনত দ্বিতীয় আৰু ২০০৫ চনত তৃতীয় খণ্ড প্ৰকাশ পায়। *বেজবৰুৱা গ্ৰন্থাৱলী*ৰ প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ডৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে অতুলচন্দ্ৰ হাজৰিকাই আৰু তৃতীয়খণ্ড সম্পাদনা কৰে যতীন্দ্ৰ নাথ গোস্বামীয়ে।

    ২০১০ চনত নগেন শইকীয়াৰ সম্পাদনাত বনলতা প্ৰকাশনে *বেজবৰুৱা ৰচনাৱলীৰ* ছয়টা খণ্ড প্ৰকাশ কৰে। এই খণ্ড কেইটাৰ মাজত বেজবৰুৱাৰ সমগ্ৰ সাহিত্যক সামৰি লোৱা হৈছে।

২৪। এই তালিকা অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত *বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড* (দ্বিতীয় প্ৰকাশ ১৯৮০), যতীন্দ্ৰ নাথ গোস্বামীৰ *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা* আৰু অঞ্জল বৰাৰ *লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সাহিত্য* গ্ৰন্থৰ আধাৰত প্ৰস্তুত কৰা হৈছে।

২৫। বেজবৰুৱাৰ মৃত্যুৰ পিছত সংগৃহীত, অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত *বেজবৰুৱা গ্ৰন্থাৱলীত* নকৈ অন্তৰ্ভুক্ত।

২৬। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলীত* নকৈ অন্তৰ্ভুক্ত।

২৭। *নাটৰ কুকি*ৰ অন্তৰ্গত নাটিকা কেইখন *বাঁহী*ত বিভিন্ন সময়ত প্ৰকাশ হৈছিল। *বেজবৰুৱা গ্ৰন্থাৱলীত* নকৈ অন্তৰ্ভুক্ত এই নাটিকা কেইখনক *চ'ৰাঘৰীয়া নাট* (*A Drawing room play*) বুলি অভিহিত কৰিছে।

২৮। মৰণোত্তৰ প্ৰকাশ, বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ দ্বাৰা সংগৃহীত আৰু সম্পাদিত।

২৯। মৰণোত্তৰ প্ৰকাশ, *বন্তি* আৰু *ঊষাত* প্ৰকাশিত, পৃষ্ঠা ঃ ১৯

৩০। *বাঁহী* আৰু *আৱাহনত* প্ৰকাশিত, অতুলচন্দ্ৰ হাজৰিকা সংগৃহীত আৰু সম্পাদিত।

৩১। মৰণোত্তৰ প্ৰকাশ, বেজবৰুৱা জন্ম শতিবাৰ্ষিকী উপলক্ষে ১৯৬৮-৬৯ চনত প্ৰকাশ হয়।

৩২। মৰণোত্তৰ প্ৰকাশ।

৩৩। *বেজবৰুৱা গ্ৰন্থাৱলীৰ* তৃতীয় খণ্ড প্ৰকাশিত।

৩৪। মৰণোত্তৰ প্ৰকাশ, অতুলচন্দ্ৰ হাজৰিকা সংগৃহীত আৰু সম্পাদিত।

৩৫। মৰণোত্তৰ প্ৰকাশ, অতুলচন্দ্ৰ হাজৰিকা সংগৃহীত আৰু *বেজবৰুৱা গ্ৰন্থাৱলীত* অন্তৰ্ভুক্ত।

৩৬। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলীত* অন্তৰ্ভুক্ত

৩৭। মৰণোত্তৰ প্ৰকাশ, প্ৰথমে ১৯৪৪ চনত মাধৱচন্দ্ৰ বেজবৰুৱাই সংগ্ৰহ কৰি প্ৰকাশ কৰে। পৰিবৰ্দ্ধিত নতুন সংস্কৰণ যতীন্দ্ৰ নাথ গোস্বামী সংগৃহীত আৰু অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত। *বেজবৰুৱা গ্ৰন্থাৱলীত* আৰু কেইটামান বাদ পৰি যোৱা অধ্যায় জোৰা দি পৰিবৰ্দ্ধিত ৰূপত প্ৰকাশ কৰা হয়।

৩৮। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ জীৱনী গ্ৰন্থখন বিভিন্ন গ্ৰন্থত শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ, মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ আদি শিৰোনামত পোৱা যায়। অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত *বেজবৰুৱা গ্ৰন্থাৱলী* (প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড)ত মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ নামেৰে সংকলিত হৈছে। গতিকে আমাৰ গৱেষণা গ্ৰন্থত এই শিৰোনামেই গ্ৰহণ কৰা হৈছে।

৩৯। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলীত* নকৈ অন্তৰ্ভুক্ত।

৪০। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলীত* নকৈ অন্তৰ্ভুক্ত।

৪১। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলীত* নকৈ অন্তৰ্ভুক্ত।

৪২। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলীত* নকৈ অন্তৰ্ভুক্ত।

৪৩। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলী*, তৃতীয় খণ্ডত প্ৰকাশিত।

৪৪। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলী*, তৃতীয় খণ্ডত প্ৰকাশিত।

৪৫। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলী*, তৃতীয় খণ্ডত প্ৰকাশিত।

৪৬। মৰণোত্তৰ প্ৰকাশ, *বেজবৰুৱা গ্ৰন্থাৱলী*, তৃতীয় খণ্ডত প্ৰকাশিত।

৪৭। মহেশ্বৰ নেওগ ঃ *অসমীয়া ভাষা-সাহিত্যত বেজবৰুৱাৰ স্থান; লক্ষ্মীনাথ বেজবৰুৱা*, চন্দ্ৰ প্ৰসাদ শইকীয়া (সম্পাঃ), অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা ঃ ২৫১

৪৮। যতীন্দ্ৰ নাথ গোস্বামী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৫৬

৪৯। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৭

৫০। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৮

৫১। মহেশ্বৰ নেওগ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৬৫

৫২। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৮

৫৩। লক্ষ্মীনাথ বেজবৰুৱাৰ *অ' মোৰ আপোনাৰ দেশ* গীতটোৱে ১৯২৭ চনত তেজপুৰত অনুষ্ঠিত ছাত্ৰ সন্মিলনত *অসমৰ জাতীয় সঙ্গীত* ৰূপে স্বীকৃতি লাভ কৰে।

৫৪। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৯

৫৫। বিশ্বনাৰায়ণ শাস্ত্ৰী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১০৫

৫৬। অঞ্জল বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৯

৫৭। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৮-৩৯

৫৮। অঞ্জল বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২১

৫৯। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৯

৬০। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪১

৬১। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪১

৬২। ১৯৩১ চনত অসম সাহিত্য সভাৰ শিৱসাগৰ অধিৱেশনত নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ সভাপতিত্বত লক্ষ্মীনাথ বেজবৰুৱাক আনুষ্ঠানিকভাৱে *ৰসৰাস* উপাধি প্ৰদান কৰে। (*লক্ষ্মীনাথ বেজবৰুৱা*, অঃ প্ৰঃ পঃ, পৃষ্ঠা ঃ ১৭)

৬৩। শৈলেন ভৰালী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩২

৬৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৪

৬৫। চন্দ্ৰপ্ৰসাদ শইকীয়া ঃ *লক্ষ্মীনাথ বেজবৰুৱা,* অসম প্ৰকাশন পৰিষদ, ভূমিকা, পৃষ্ঠা ঃ .১৭

৬৬। মহেশ্বৰ নেওগ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৫৫

৬৭। লীলাৱতী শইকীয়া বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৮০

৬৮। নৱকান্ত বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭

৬৯। পুষ্পপাল সিংহ ঃ *কথা মঞ্জুৰী,* পৃষ্ঠা ঃ ১৭৮

৭০। *প্ৰেমাচন্দ ৰচনাৱলী,* প্ৰথম খণ্ড ঃ জনবাণী প্ৰকাশন, বেটুপাত

৭১। উল্লিখিত গ্ৰন্থ, বেটুপাত

৭২। ইণ্টাৰনেট (গোগল)

৭৩। ৰামবিলাস শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭

৭৪। পুষ্পপাল সিংহ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৮

৭৫। ৰামবিলাস শৰ্মা ঃ *প্ৰেমচন্দ অউৰ উনকা যুগ,* পৃষ্ঠা ঃ ১৯

৭৬। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২০

৭৭। নাগেশ্বৰ সিংহ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১

৭৮। ৰামবিলাস শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২০

৭৯। প্ৰেমচন্দ নামটো দয়া নাৰায়ণ নিগমে দিছিল। (*প্ৰেমচন্দ অউৰ উনকা যুগ,* পৃষ্ঠা ঃ ২১)

৮০। উল্লিখিত গ্ৰন্থ ঃ পৃষ্ঠা ঃ ১১৯

৮১। *প্ৰেমচন্দ ৰচনাৱলী,* প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৪৯

৮২। এই শ্ৰেণী বিভাজন *প্ৰেমচন্দ ৰচনাৱলী*ৰ আধাৰত কৰা হৈছে।

৮৩। এই উপন্যাসখন প্ৰথমে *অসৰাৰে মআবিদ* নামেৰে উৰ্দ্দু ভাষাত প্ৰকাশ হৈছিল (১৯০১-১৯০৩)। ১৯০৩ চনৰ পৰা ১৯০৫ চনলৈ *আৱাজ এ খল্ক* পত্ৰিকাত ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। ১৯৬২ চনত প্ৰেমচন্দৰ প্ৰাৰম্ভিক হিন্দী উপন্যাসৰ সংকলন *মংগলাচৰণত দেৱস্থান ৰহস্য* নামেৰে প্ৰকাশ পায়।

৮৪। মৰণোত্তৰ প্ৰকাশ, অমৃত ৰায়ৰ দ্বাৰা সংকলিত আৰু হংস পত্ৰিকাত প্ৰকাশিত। প্ৰেমচন্দৰ মৃত্যুৰ বাবে এইখন উপন্যাস অসম্পূৰ্ণ হৈ ৰয়। *প্ৰেমোপহাৰ, প্ৰেমচন্দ স্মৃতি* আৰু *মংগলসুত্ৰ ৱ অন্য ৰচনায়ে* গ্ৰন্থতো সন্নিৱিষ্ট হৈছে।

৮৫। দ্বিতীয় অধ্যায়ত প্ৰেমচন্দৰ চুটিগল্প আলোচনা প্ৰসংগত তেওঁৰ প্ৰকাশিত গল্প সংকলন সমূহ বিৰুদ্ধে উল্লেখ কৰা হৈছে।

৮৬। মৰণোত্তৰ প্ৰকাশ, ১৯৩৭ চনত এই নাটকখন *হংস প্ৰকাশনে* দুটা খণ্ডৰ প্ৰকাশ কৰে। গ্ৰন্থ আকাৰে ১৯৩৮ চনত প্ৰকাশ পায় (*প্ৰেমচন্দৰ ৰচনাৱলী*, পৃষ্ঠা ঃ ৭৪)

৮৭। *প্ৰেমচন্দ ৰচনাৱলী*ৰ সপ্তম, অষ্টম আৰু নৱম খণ্ডত তেওঁৰ বিভিন্ন সম্পাদকীয়, গ্ৰন্থ সমীক্ষা, ভাষণ আদি সংকলিত হৈছে।

৮৮। দশৰথ ওজা (সম্পাঃ) ঃ *কহানী একাদশী*, পৃষ্ঠা ঃ ২৭

৮৯। ৰামবিলাস শৰ্মা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৫

৯০। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬২

৯১। নন্দদুলাৰে বাজপেয়ী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৬

৯২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬৫

৯৩। সত্যেন্দ্ৰ, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৮

৯৪। বীণা শ্ৰীবাস্তৱ ঃ *হিন্দী উপন্যাস কা বিকাশ অউৰ মধ্যম বৰ্গীয় চেতনা*, পৃষ্ঠা ঃ ৬২

৯৫। সত্যেন্দ্ৰ (সম্পাঃ) ঃ *প্ৰেমচন্দ*, পৃষ্ঠা ঃ ১৩৬

৯৬। উল্লিখিত গ্ৰন্থ ঃ ১২১

৯৭। *প্ৰেমচন্দ ৰচনাৱলী*, পৃষ্ঠা ঃ ৭৩

৯৮। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৫

৯৯। ৰামবিলাস শৰ্মা, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১২৪

১০০। নগেন্দ্ৰ (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬০৮

১০১। দিলীপ বৰা ঃ তুলনাত্মক সাহিত্য, পৃষ্ঠা ঃ ৫৬

১০২। কৰবী ডেকা হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৩

১০৩। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৮

১০৪। দিলীপ বৰা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৯